চান্দমামা

ছেপটে'মবাৰ ১৯৯৩

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পোলিঅ’প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	যক্ষ্মা	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ’**	**পোলিঅ’**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পার্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলছ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।			

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল’ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

এক' আনা, মুখা বনোৱা!!
এক' স্কেচ্ পেনৰ দ্বাৰা মুখা আদি বনাবলৈ কেৱলযে উজু সেয়ে নহয়, লগতে কিমান যে স্ফূৰ্তিও পোৱা যায়।
একেই আসবাপৰ বহু-বিভিন্ন উজ্জ্বল আকৰ্ষণীয় ৰং; ১২, ২৪ আৰু ৩০ টাকৈ এক পেকেটত।
কিন্তু আটাইতকৈ মজাৰ কথা হ'ল, এক' পানীৰ ওপৰত আধাৰিত আৰু অবিষাক্ত, অৰ্থাৎ
তোমালোকৰ দৰে কণমানি শিশুইতৰ বাবে একেবাৰে নিৰাপদ।
ভাবি চোৱাচোন, এই কথা জানি মায়ে যে কিমান ভাল পাব!
সহজ পুৰস্কাৰ জিতি লোৱা!
এক' মানেই অন্তহীন আনন্দৰ জোৱাৰ!
Ekco®
তোমাৰ সুকুমাৰ কলাৰ এক সুন্দৰ অভিব্যক্তি!
Karishma/SW/6/2016 AS B

কিযে চমৎকাৰ মচলাদাৰ
লিজ্জত পাপড় বিচাৰোঁ বাৰবাৰ...

পাপড়

সাতবিধ মুখৰোচক, মুৰমুৰীয়া সোৱাদত —
মাটিমাহ, মাটিমাহ স্পেচিয়েল, মগু, পাঞ্জাবী স্পেচিয়েল, নহৰু, জলকীয়া।

SYMBOL OF WOMAN'S STRENGTH
Lijjat

শ্ৰী মহিলা গৃহ উদ্যোগ লিজ্জত পাপড়।

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

পঢ়াশালিয়েই যেতিয়া মৰিশালিহেন হয়…

দেশত প্ৰাথমিক-শিক্ষা অবাধ, অৰ্থাৎ বিনা পইচাৰে হোৱা সত্বেও কিয় ভালেমান ছাত্ৰ-ছাত্ৰী স্কুললৈ নহা হয়, কিয় প্ৰাইম্যাৰি শিক্ষা সাং নোহওঁতেই ছাত্ৰ-ছাত্ৰীইতৰ এক বুজন সংখ্যকেই স্কুল এৰি দিয়ে—সেই কথাত আমাৰ ৰাজ্যিক চৰকাৰবোৰ চুশ্চিন্তিত। কিছুমান ৰাজ্যিক চৰকাৰে কাৰণ অনুসন্ধান কৰাৰ চেষ্টাও চলাইছে।

সম্প্ৰতি তামিলনাডু চৰকাৰে এই বিষয়ে অনুসন্ধানক্ৰমে জানিব পাৰিছে যে—শতকৰা প্ৰায় ২৫ ভাগ ছাত্ৰে চতুৰ্থমান নোপাওঁতেই স্কুললৈ আৰু নহা হয় যে—তাৰ বিভিন্ন কাৰণৰ মাজত আছে—সিঁহতে সিঁহতৰ ঘৰুৱা কাম-বনত হাত উজান দিব লাগে, সিঁহতে সিঁহতৰ সৰু সৰু ভাই-ভনীইতক চোৱা-মেলা কৰিব লাগে, খেতি-পথাৰত কাম কৰিব লাগে, গাই-বলদ হাঁহ কুকুৰাৰ তত্বাৱধান কৰিব লাগে, আনকি ৰান্ধিবও লাগে, কিয়নো সিঁহতক মাক-দেউতাকে অইনত কাম-বন কৰিব লাগে। এইবোৰ কাৰণ হ'ল আৰ্থিক কাৰণ। চৰকাৰে ইহঁতক স্কুললৈ পঢ়াবলৈ আইনমতে বাধ্য কৰিব নোৱাৰে।

মহাৰাষ্ট্ৰৰ চৰকাৰে এইবোৰ কাৰণৰ উপৰিও ক্লাছৰ পঠন-পাঠন শিশুইতৰ পক্ষে একেবাৰে অনাকৰ্ষণীয় হোৱাৰ তথ্যও দাঙি ধৰিছে। অধিক পাঠ্যপুথিৰ গুৰুভাৰো স্কুল পৰিত্যাগ কৰাৰ অন্যতম কাৰণ বুলি স্পষ্টৰূপে জনা গৈছে। শিশুইতে ভাৰবাহী পশুৰ দৰে সিঁহতৰ পাঠ্যপুথিবোৰ কঢ়িয়াব লাগে, আৰু ইমানবোৰ কিতাপ কিনাটোও সিঁহতৰ অভিভাৱকইতৰ ক্ষমতা-বহিৰ্ভূত!

আমাৰ শিক্ষা-কৰ্ণধাৰসকলে আৰুনো কাহানি সাৰ পাব?

বছৰ : ১৮   ছেপটে'মবাৰ ১৯৯৩ সংখ্যা : ৬

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা

শক্তি যুদ্ধ

MASTERS OF THE UNIVERSE

খোজে প্রতি তোমাৰ 'অমঙ্গল'ৰ বিলাই-বিপত্তি। কিন্তু তোমাৰ সতে আছে 'শুভ' শক্তি। 'গ্রেস্কাল' দুৰ্গ হ'ল তোমাৰ গন্তব্যস্থল আৰু তুমি অতিক্রম কৰিব লাগিব— ইটাৰ্নিয়াৰ দুৰ্গম, বিপদসঙ্কুল পথ। আহাঁ, 'মাষ্টাৰ্চ অৱ দা ইউনিভাৰ্চ'ৰ সতে তুমিও মিলি যোৱা। বচ, এতিয়া এখন পাশা লাগে আৰু লাগে এজন লগৰী, তেতিয়া এই ৰোমাঞ্চকৰ খেলটো খেলি কিযে মজা লাগিব!

অভিনন্দন!
তোমাৰ সতে আছে শক্তি।

LEO MATTEL

আনন্দেৰে ভৰা খেলনাৰ পৃথিৱী।

HTA-1188-94

পৃথিৱীৰ খিৰিকীৰে

এৰিত্ৰিয়া ঃ আফ্ৰিকাৰ ৫২ তম দেশখন



'মে মাহৰ ২৮ তাৰিখৰ দিনা, 'এৰিত্ৰিয়া' সংযুক্ত ৰাষ্ট্ৰসংঘৰ ১৮২ তম সদস্যৰূপে স্বীকৃত হ'ল। এই ঘটনাৰ ঠিক চাৰি দিনৰ আগতে, মে' মাহৰ ২৩ তাৰিখৰ দিনা সমগ্ৰ এৰিত্ৰিয়া আনন্দময় স্বাধীনতাৰ জোৱাৰত উটিছিল প্ৰাণোচ্ছল গীত-মাত নৃত্যৰ যোগেদি।

সৌ সিদিনালৈকে এৰিত্ৰিয়া আছিল এথিঅ'পিয়াৰ উত্তৰাঞ্চল মাথোন। আৰু আজি — সেই এৰিত্ৰিয়া—স্বাধীন!

এৰিত্ৰিয়াৰ ঐতিহাসিক কাহিনী সুদীৰ্ঘ। সপ্তম শতিকালৈকে এৰিত্ৰিয়া আছিল পৃথিৱীৰ অন্যতম প্ৰাচীনতম দেশ এথিঅ'পিয়াৰ একাংশ মাথোন। ষোড়শ শতিকাত এৰিত্ৰিয়া আছিল তুৰস্কৰ অধীনস্থ সামাইন ভূখণ্ড মাত্ৰ।

১৮৮৯ চনত এৰিত্ৰিয়া আছিল ইতালিদেশৰ শাসনাধীন। ইতালীৰ স্বেচ্ছাচাৰী শাসক মুছোলিনীয়ে ১৯৩৬ চনত এথিঅ'পিয়া আক্ৰমণ কৰি অধিকাৰ কৰিছিল আৰু সমগ্ৰ এথিঅ'পিয়াকে মুছোলিনীয়ে যুদ্ধক্ষেত্ৰৰ গুদাম হিচাপে ব্যৱহাৰ কৰিছিল।

এথিঅ'পিয়াৰ পদচ্যুত সম্ৰাট ইংল্যাণ্ডলৈ পলাই গৈছিল। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ লাগি পৰিছিল। তেতিয়া মিত্ৰশক্তিয়ে এথিঅ'পিয়াক মুক্তি প্ৰদান কৰিলে আৰু পদচ্যুত সম্ৰাটকো পুনৰ অধিষ্ঠিত কৰিলে। ১৯৪১ চনত এৰিত্ৰিয়া হ'লগৈ এথিঅ'পিয়াৰ অধীনস্থ স্বয়ং-চালিত ভূখণ্ড। তাৰ পাছৰেপৰাই এৰিত্ৰিয়াত স্বাধীনতাৰ আন্দোলনৰ সূত্ৰপাত। বিশেষকৈ, ১৯৭৪ চনত যিসৈনিক-বিদ্ৰোহৰ ফলত

এথিঅ'পিয়াৰ সম্রাট পুনৰ সিংহাসনচ্যুত হ'ল আৰু তেতিয়া এৰিত্রিয়াৰ স্বাধীনতা-যুদ্ধই বিৰাট ভাবে বিস্তৃতি লাভ কৰিলে। এৰিত্রিয়াৰ গৰিলা-যুঁজাৰুসকলৰ সৈতে এথিঅ'-পিয়াৰ চৰকাৰী সৈন্যইতৰ যুঁজ-প্রায় ত্রিছ বছৰ ধৰি চলিছিল।

শেহান্তৰত, ১৯৯১ চনত ২৪ মে'ৰ দিনা এৰিত্রিয়াৰ ৰাজধানী 'অস্মাৰাস্ক এৰিত্রিয়ান পিপলছ লিবাৰেশ্যান ফ্রণ্টে (এ. পি. এল. এফ.) অধিকাৰ কৰিলে আৰু প্রকৃতার্থত সেই দিনাই এৰিত্রিয়া স্বাধীন হ'ল। কিন্তু আইনানুযায়ী স্বাধীনতাৰ ঘোষণাৰ তথা স্বীকৃতিৰ বাবে এৰিত্রিয়াই আৰু দুবছৰলৈ বাট চাবলগীয়া হৈছিল।

এপ্রিল মাহৰ ২৩—২৫ তাৰিখলৈকে সমগ্র এৰিত্রিয়া জুৰি গণভোট গ্রহণ কৰা হ'ল আৰু এই গণভোটত ৯৯'৮ শতাংশই এৰিত্রিয়াই এথিঅ'পিয়াৰপৰা বেলেগ হৈ স্বতন্ত্র দেশ গঢ়াৰ বাবে মত দান কৰিলে।

তাৰ পাছত 'নেশ্যনাল আ্যাছেম্বলি'ৰ বিশেষ অধিবেশন অনুষ্ঠিত হ'ল। সেই অধিবেশনত ইছ্ছায়িধস্থ অফেৰ্বাৰ্কিক স্বাধীন এৰিত্রিয়াৰ ৰাষ্ট্রপতি নির্বাচিত কৰা হ'ল। এওঁৱেই আছিল এ. পি. এল. এফ-অৰ গৰিলা-যুদ্ধৰ সর্বাধ্যক্ষ তথা মহান নেতা।

এৰিত্রিয়াৰ নেশ্যনাল আ্যাছেম্বলিৰ সর্বমুঠ সদস্য-সংখ্যা হ'ল ১৩৪ জন। তাৰোপৰি, এৰিত্রিয়াৰ বিভিন্ন ঠাইৰপৰা নির্বাচিত ত্রিছ গৰাকী প্রতিনিধি, আৰু বিছগৰাকী মনোনীত প্রমুখ ব্যক্তি, আৰু লগতে আন ১০ গৰাকী মহিলা-সদস্য হ'ল এৰিত্রিয়াৰ মহিলাসকলৰ মুখপাত্র।

এই আ্যাছেম্বলি চাৰি বছৰলৈকে চলি থাকিব। তাৰ পাছত এক কমিশ্যন পতা হ'ব আৰু সেই কমিশ্যনে আফ্রিকাৰ এই ৫২তম দেশ এৰিত্রিয়াৰ সংবিধান যুগুত কৰিব।

এৰিত্রিয়াৰ লোকসংখ্যা মোটামুটি ৩৫,০০,০০০। এই জনসংখ্যা খৃষ্টধর্মী আৰু ইছলাম-ধর্মী প্রায় সমান সংখ্যক।

এ. পি. এল. এফ.—অত খৃষ্টানেই অধিক।

ৰাষ্ট্রপতি অফেৰোৰ্কিয়ে তেওঁৰ ভাষণত কৈছে :

"এৰিত্রিয়ৰ এই যে পুনর্জন্ম হ'ল—এয়া অতিশয় আনন্দৰ কথা। এই শুভ দিনত, আমাৰ সুপ্রতিষ্ঠাৰ বাবে মই বিশ্বৰ সকলো দেশলৈ যথাযথ সহানুভূতি তথা সহৃদয়তাৰ বাবে সার্বিক আবেদন জনাইছোঁ।"

দেশৰ অভ্যন্তৰীণ যুদ্ধত অতি সাহসৰে সৈতে যুদ্ধ চলাই থকা ২৮ বছৰীয়া মহম্মদে ২৩ মে'ৰ দিনা স্বাধীন এৰিত্রিয়াৰ পতাকা উত্তোলন কৰিছিল। সাধাৰণ খাঁকী পোছাক, প্লাষ্টিকৰ ছেণ্ডেল আৰু টুপি পিন্ধা এই বীৰ যুৱকে পতাকা-উত্তোলনৰ শুভক্ষণত কৈছিল : "আজিৰ এই শুভ দিনটিৰ বাবে মই বিগত আঠ বছৰ ধৰি ছনে-বনে নগৰে-চহৰে যুদ্ধ কৰিছিলোঁ। আজিৰ এই দিন মোৰ বাবে অতি আনন্দৰ আৰু গৌৰৱৰো দিন।"



ঈশ্বৰীৰ পৰাজয়

মদনপুৰৰ নবীনশৰ্মা আছিল অতি সহজ-সৰল-অমায়িক মানুহ। গাঁৱৰ ৰাইজে নবীনক মনে-চিতে ভাল পাইছিল নবীনৰ পৰোপকাৰী স্বভাৱৰ কাৰণে। কিন্তু ঈশ্বৰীক বিয়া কৰাই লৈ অহাৰ পাছত এইজন নবীনৰ ভালৰো ভাল স্বভাৱেই কালৰো কাল হৈ উঠিল ঈশ্বৰীৰ গুণত। নবীনে যি ক'ব, ঈশ্বৰীয়ে ওলোটা বেদ গাব। নবীনে যি কৰিবলৈ ল'ব, ঈশ্বৰীয়ে হাক দিব, হাক নামানিলে কথা বিষম হ'ব। তাৰ ফলত, দিনৰ পাছত দিন ধৰি বিভিন্ন ধৰণে বাধাৰ সন্মুখীন হোৱাৰ ফলত, এদিন পৰোপকাৰী নবীনৰ পতন হ'ল। নবীনৰ আগৰ সেই স্বভাৱৰো ভালেখিনি পৰিৱৰ্তন হ'ল।

এদিন কিবা কামত ৰবীন গোহাঁই নামৰ মানুহ এজন মদনপুৰলৈ আহিল। ৰবীন পোনে পোনেই নবীনহঁতৰ ঘৰলৈ আহিল আৰু নবীনক সুধিলে, "ভালনে তোমালোকৰ? মোৰ আচল কাম যদিও সৌ চুবুৰীয়া ফুলপুৰ গাঁৱতে, তথাপি তুমি ইয়াতে আছা বুলি জানি—নাহি নোৱাৰিলোঁ, বন্ধু। মই সাদিনমান তোমালোকৰ ঘৰতে থাকিম আৰু সৰুকালৰ কথাবোৰ উলিয়াই গল্প গুজব কৰি হাঁহি-মাতি কটাই দিম।"

নবীন আৰু ৰবীন সৰুকালৰেপৰাই নলগল বন্ধু। নবীন যদিও গাঁৱতে আছে, কিন্তু ৰবীন থাকে চহৰত। তাত ৰবীনৰ মস্ত ডাঙৰ ব্যৱসায়। ৰবীন লখ লাখপতি তো হয়েই, এইজন ৰবীনক কোটিপতি ক'লেও বঢ়াই কোৱা নহয়।

নয়ন ভাগৱতী

আড্ডা মাৰিব, আৰু তুসাজ নহয়—দিলে চাৰি সাজেই দন টানি খাব! বাৰু, ৰ'চোন, খুৰাম এতিয়াৰপৰা।

ঈশ্বৰীয়ে সিহঁতক ভাত-ডাইল আৰু কোনোমতেহে আঞ্জা এপদ ৰান্ধি দিছিল। মাত্র তুটা দিনৰ পাছত আঞ্জা-তাঞ্জাও আৰু নিদিয়াই হ'ল। কেৱল ভাত আৰু দালি। লগতে অলপমান আচাৰ—চাটনি। চাৰিদিনৰ পাছত সেই আচাৰও বন্ধ কৰি দিলে। কেৱল ভাত আৰু দালি। দেখা যাওক, কেইদিন থাকে বহি খেৰা। ফুকনহেন বন্ধুৱে।

কিন্তু খাবলৈ কি দিলে—কি নিদিলে সেইবোৰ কথালৈ ৰবীনৰ মনেই নাই। ৰবীন আড্ডাতে মছগুল। আৰু আড্ডাওযে আড্ডা—একেবাৰে খাক বোলে মহা-আড্ডা। দিন নাই তুপৰ নাই সাঁজ নাই ৰাতি নাই—দিনে-ৰাতি একে লেথাৰিয়ে আড্ডা চলিয়েই থাকিল।

তাৰ পাছত এদিন ৰবীনে নবীনৰপৰা বিদায় ল'লে। গুচি যোৱাৰ আগে আগে বন্ধু-পত্নী ঈশ্বৰীক ৰবীনে ক'লে, "ইমান দিন ধৰি তোমালোকৰ ঘৰত সোমাই থাকি খুব জলা-কলা কৰিলোঁ. দিগদাৰি দিলোঁ। ইমান দিন ধৰি মোক যে কিমান আদৰ-যত্নৰে তুমি খুৱালা— জীৱনতো

কিন্তু নবীন-ৰবীনৰ ইমান বন্ধুত্বৰ কথাত ঈশ্বৰীয়ে সিমান ভাল নাপালে। তাইৰ কথা হ'ল: বন্ধু হ'ল বুলিয়েই লোকৰ ঘৰত সাতদিন-দহদিন ধৰি অত্যাচাৰ কৰি থাকিব লাগেনে? বন্ধু আহিব, দেখা হ'ব, কথা-বাৰ্তা হ'ব, চাহ এপিয়লা খাব, গুচি যাব। ৰছ, ইমান হাঁহন-মাতন—কিয়নো লাগিছে? আৰু সেই ৰবীনটোও যে—। বয়স তাৰ ঢেৰ হ'ল, কিন্তু আচাৰ-আচৰণত একেবাৰে চেমনীয়াটো যেন হৈ আছে। হো হো হা হা হি হি—হাঁহিৰ যেনিবা উজান কোবাইছেহে। বহি বহি দিনে-নিশাই

নাপাহৰোঁ। যেই কি নহওক—তোমালৈ মোৰ এই সামান্য উপহাৰ গ্ৰহণ কৰি মোক সুখী কৰিবা বুলি আশা কৰোঁ।” এই বুলি কৈ ৰবীনে ঈশ্বৰীৰ হাতত এটি হীৰাৰ আঙঠি দিলে আৰু ক'লে, “আশা কৰোঁ, নবীনক লৈ আমাৰ ঘৰলৈকো তামালোক শীঘ্ৰেই যাবা। আমাৰ চহৰৰ ঘৰৰ ঠিকনা, আৰু কেনেকৈ আমাৰ ঘৰলৈ যাব লাগিব—তাকো নবীনক কৈ দিছোঁ।”

বন্ধু ৰবীন বিদায় লৈ গুচি যোৱাৰ পাছত নবীনে তাৰ ঘৈণীয়েকক ক'লে, “ৰবীন আমাৰ ঘৰত সোমাই থকাত তুমি যে বেয়া পাইছিলা, জানো মই। এতিয়া বুজিলানে যে আমাৰ সেই সৰুকালৰ বন্ধুতা কিমান গভীৰ আছিল!”

ঈশ্বৰীয়ে তিতা-কেঁহা মাতেৰে ক'লে, “আপুনি আচলতে—যাক বোলে সেই হোজা—হোলাৰ ভাই মোলাটোয়েই হৈ আছে। সি ৰবীন যে আচলতে আপোনাৰ বন্ধু নহয়, সেই, কথা আগলৈ বুজিব। তাৰ ধন আছে—আঙঠি দিছে। এই কথাত বন্ধুত্বৰ চিনাকিতকৈ তাৰ বৰ-লোকালিৰ ডেমাকীহে আচল কথা। আৰু সি যে এটা ফুটাকড়িও খৰচ নকৰি সাদিন ধৰি দন টানিলে—তাৰ কিবা দাম নাইনে?”



নবীনে উপলব্ধি কৰিলে, ঈশ্বৰীক স্বয়ং ঈশ্বৰেও সজ কথা সজে সজে বুজাব নোৱাৰিব। গতিকে—সেই চেষ্টা নবীনে এৰিলে আৰু ৰণত ভংগ দিলে।

কিছুদিনৰ পাছত ঈশ্বৰী টান অসুখত পৰিল। গাঁৱৰ চিকিৎসকে প্ৰাথমিকভাবে দৰৱ-পাতি দিলে আৰু ক'লে, “নবীনভাই, এওঁক তুমি চহৰলৈ লৈ যোৱা। তাত যিজন অশ্বিনী কবিৰাজ আছে—তেওঁৰ ওচৰলৈ এওঁক লৈ যোৱা। মই এই বেমাৰৰ কোনো স্থায়ী প্ৰতিকাৰ কৰিব নোৱাৰিম যে—এই কথা ধ্ৰুৱ।”

গাঁৱৰ চিকিৎসকজন গুচি যোৱাৰ



দিব নোৱাৰিলে, সংসাৰ এখনত গিৰিয়েকতকৈ ঘৈণীয়েকৰ বুদ্ধি যে বহুত বেছি—ঠেকি শিকিছে নবীনে। যি কি নহওক, নবীনে ঈশ্বৰীক চহৰলৈ লৈ গ'ল, অশ্বিনী কবিৰাজকে দেখুৱালে, আৰু পুনৰ ঘৰ পালেহি। চহৰত সিহঁতহাল মাত্র তিনিটা দিন আছিলগৈ, চাৰিদিনৰ দিনা চহৰ এৰি গুচি আহিছিল, বন্ধু ৰবীনৰ ঘৰলৈ যোৱা দূৰৰে কথা, ঈশ্বৰীৰ আগত নবীনে ৰবীনৰ নামটোকো মুখৰ বাটেদি নুলিয়াইছিল।

ঘৰ পাই নবীনে ঈশ্বৰীক ক'লে, "দেখিলানে? মাত্র তিনিটা দিনতে আমাৰ পাঁচশ টকা খৰচ হৈ গ'ল চহৰত। ৰবীনৰ ঘৰলৈ যোৱাহেঁতেন এক পইচাও খৰচ নহ'লহেঁতেন, আৰু কবিৰাজেও কিজানি মাননী নল'লেহেঁতেন। কিয়নো এইগৰাকী কবিৰাজ—খুব সম্ভৱতঃ ৰবীনৰ বন্ধু। আমি চহৰলৈ যোৱাৰ কথাটো নবীনে নিশ্চয় যেনেকৈয়েই নহওক জানিব, আৰু বৰ সি দুখ পাব।"

"বৰঞ্চ সুখহে পাব—।" ঈশ্বৰীয়ে টপৰকৰে কৈ উঠিল, "খৰচৰ ভয় দুখীয়াৰ দুখীয়াৰ সকলোটিবেই আছে। আমি তাৰ ঘৰলৈ নোযোৱাত ৰবীনৰ সুবিধাহে হ'ল, এনেবোৰ মিছা মিতিৰালিৰ খোৰোচা

অন্তত নবীনে ক'লে, "ভালেই হ'ল। একেলগে—ৰথ দেখা কল বেচা—দুয়োটা কামেই হ'ব।"

"সেইটো নহৈছে—" ঈশ্বৰীয়ে কৈ উঠিল, "মই চহৰলৈ যাম মোৰ বেমাৰৰ চিকিচ্ছা কৰাবলৈহে, আপোনাৰ বন্ধুৰ ঘৰত ভোজ খাবলৈ নহয়। ডেমাকী বন্ধুৰ ডেমাক তেওঁৰ চন্দুকত বন্ধ হৈ, থাকক, মই সেই ডেমাকৰ সাততো নাই সোতৰতো নাই। আমি চহৰৰ সস্তীয়া কোনোবা ঠাইত থাকিম, কবিৰাজক দেখুৱাম, দৰব ল'ম, গুচি আহিম— বচ।"

নবীনে ঈশ্বৰীৰ কথাৰ কোনো উত্তৰ

গাঁঠি এইবাৰ সি ছিড়িব পাৰিব।

এই ঘটনাৰ কিছুদিনৰ পাছত ৰবীন পুনৰ কিবা সকামত নবীনহঁতৰ চুবুৰীয়া গাঁও ফুলপুৰলৈ আহিল, আৰু ফুলপুৰৰে এঘৰ ধনী মানুহৰ ঘৰত আলহী হৈ থাকিল। এই খবৰ পাই নবীনে খোজ ল'লে ফুলপুৰলৈ বুলি। বন্ধু ৰবীনৰ লগত কমেও দেখা কৰা উচিত। কিন্তু ঈশ্বৰীয়ে নবীনক ৰাধা দিলে : যাবলৈ নিদিলে।

অলপ সময়ৰ পাছত ৰবীন সেই বাটেদিয়েই আহি থকা দেখা গ'ল। ৰবীনে নবীনক লগ পাই তাক দোষাৰোপ কৰিলে আৰু ঈশ্বৰীক ক'লে, "তোমালোক চহৰলৈ গৈও যে আমাৰ ঘৰলৈ নগ'লা কিয়—ভাবি উলিয়াব পৰা নাই। যি কি নহওক, তোমালোক এতিয়াই আমাৰ ঘৰলৈ ব'লা। আমাৰ ঘৰত কমেও দহ দিন থকাকৈ যাব লাগিব, তেহে নোযোৱাৰ দোষ খণ্ডিব।" ৰবীনে ঠিক আগৰদৰেই হা হাকৈ হাঁহি হাঁহিয়েই ক'লে।

"এ—আমি বাৰু এনেয়ে ফুৰিবলৈ গৈছিলোঁনে চহৰলৈ? বেমাৰ—"

ৰবীনে হাত দাঙি ঈশ্বৰীক ৰখালে আৰু ক'লে, "কৈফিয়ৎ নিদিলেও হ'ব। কিয়নো, কৈফিয়তে কোনো গুণ নিদিব। আমাৰ ঘৰলৈ এবাৰ যাব লাগিবই নবো, নগ'লে নেৰিছোঁ।" ৰবীনে পুনৰ হা হাকৈ দিলখোলা হাঁহনে হাঁহিলে।

আৰু হঠাৎ ঈশ্বৰীৰ উপলব্ধি হ'ল : এনেকৈ প্ৰাণখোলা হাঁহি কোনো কুটিল মানুহৰ অন্তৰ ভেদি ওলাব নোৱাৰে। কুটিল মানুহৰ হাঁহি কদাপি নিৰ্মল নহয়, কেতিয়াও নহয়।

এইবাৰ ঈশ্বৰী পৰাজিত হ'ল। বন্ধুৰ ভদ্ৰতাৰ আগত ঈশ্বৰী সম্পূৰ্ণৰূপেই পৰাজিত হ'ল আৰু তাই মিচিকীয়াই হাঁহি ঘৰৰ ভিতৰলৈ গৈ তৎক্ষণাৎ চহৰলৈ যাবলৈ সাজ-কাচ কৰি সাজু হ'ল।



অনুমতি-পত্ৰ

জগৎপুৰৰ মহাৰণ্যত চিকাৰীৰ সংখ্যা বাঢ়ি যোৱাত আৰু জন্তু-জানোৱাৰৰ সংখ্যা ক্ৰমাত কম হৈ যোৱাৰ কাৰণে দেশৰ ৰজাই জগৎপুৰৰ জংগলত চিকাৰ কৰাৰ বাবে অনুমতি-পত্ৰ ল'ব লাগিব বুলি আদেশ জাৰী কৰিলে। ৰাজকীয় অনুমতি-পত্ৰ নোহোৱাকৈ কোনোৱা চিকাৰী জগৎপুৰৰ অৰণ্যত সোমায় যদি, সেই চিকাৰীয়ে কঠোৰ দণ্ড ল'ব লাগিব।

এদিন দুজন চিকাৰীয়ে জগৎপুৰৰ জংগলত চিকাৰ কৰি থাকোঁতে ৰজাৰ বনবিভাগৰ বিষয়াৰ হাতত ধৰা পৰিল। বিষয়া আৰু বনবিভাগৰ প্ৰহৰীয়ে চিকাৰী দুজনৰপৰা চিকাৰৰ বাবে ৰাজকীয় অনুমতি-পত্ৰ বিচাৰোঁতে হঠাৎ এজন চিকাৰী দৌৰি পলাল। বিষয়া আৰু প্ৰহৰী দুয়োজনেই পলাই যাব ধৰা চিকাৰীটোৰ পিছ খেদি গ'ল।

খেদি খেদি গৈ গৈ যেতিয়া বহু দূৰ পালেগৈ তেতিয়া দৌৰি পলাই যোৱা চিকাৰীজন ৰ'ল আৰু সেই ছেগতে বনবিভাগৰ বিষয়া আৰু প্ৰহৰীয়ে চিকাৰীজনক গৰা মাৰি ধৰিলে। বিষয়াজনে চিকাৰীক ক'লে, "তুমি যে জগৎপুৰৰ জংগলত চিকাৰ কৰিবলৈ সোমাইছাহি, তোমাৰ ওচৰত ৰাজকীয় অনুমতি-পত্ৰ আছেনে ?'

দৌৰি দৌৰি ভাগৰি পৰা চিকাৰীজনে তাৰ চোলাৰ জেপৰপৰা ৰাজকীয় অনুমতি-পত্ৰ উলিয়াই বিষয়াজনৰ হাতত দিলে। বিস্মিত বিষয়াজনে চিকাৰীক সুধিলে, "তেনেহ'লে তুমি দৌৰি পলাইছিলা কিয় ? তোমাৰ ওচৰত ৰাজকীয় অনুমতি-পত্ৰ আছিল দেখোন !"

চিকাৰীজনে হেঁপাই-ফোঁপাই ক'লে, "মোৰহে আছিল, মোৰ বন্ধুজনৰ নাছিল নহয় ?"

অভিশপ্ত পুষ্প

৪

[আগৰ কথা : মাণিক্যপুৰী ৰাজ্যত এক ভয়ংকৰ উদ্বেগজনক পৰিস্থিতিয়ে বাহ ল'লে বাতৰি পোৱা গ'ল : এটা ভয়াবহ ৰাক্ষস ৰাজ্যৰ উত্তৰ সমুদ্ৰৰপৰা উত্থিত হৈ ৰাজ্যৰ দক্ষিণ দেশলৈ বুলি বিজুলী গতিৰে আগ বাঢ়িছে। এই সমুদ্ৰী-ৰাক্ষসৰ ভৰিৰ হেঁচাত হেনো নিমিষতে জনপদ নিশ্চিহ্ন হৈছে, আনকি তাত পৰ দি ৰৈ থকা বিশাল সৈন্যবাহিনীও তাৰেই ভৰিৰ হেঁচাৰে নোহোৱা হৈছে বুলি ধাৰণা কৰা হৈছে। দলাধিপতি বীৰসিংহৰপৰা এনেহেন সম্বাদ পাই সেনাধিপতি গম্ভীৰসিংহ প্ৰায় হতবাক হৈ পৰিল। আৰু তাৰ পাছত…]

দলাধিপতি বীৰসিংহই পুনৰ সেনাধিপতি গম্ভীৰসিংহক ক'লে, ৰাক্ষসটোৰ অকল্পনীয় শকত ভৰিৰ হেঁচাত সকলো ঘৰ-দুৱাৰ মাটিৰ তললৈ সোমাই গৈছে, আৰু এইবাৰ সি হেনো দক্ষিণ সমুদ্ৰতটৰ ধ্বংসকাৰ্য সমাপ্ত কৰাৰ অন্তত ৰাজ্যৰ উত্তৰ সীমালৈ আগ বাঢ়িছে। আমাৰ অসংখ্য সৈন্য তাৰ হস্তীতকৈয়ো এশ গুণে শকত ভৰিৰ চেপাত পৰি মৰিল। আমাৰ সৈন্যইতে সেই ভয়াবহ সমুদ্ৰী-ৰাক্ষসটোৰ পিছফালহে মাথোন দেখা পাইছিল, তাৰ মুখ সিহঁতে—মানে আমাৰ বীৰ সৈন্যইতে আনকি মুহূৰ্তমানৰ বাবেও দেখা নাপালে। ভীত-আতংকিত সৈন্যইতে সেই ভয়ানক ঠাই পৰিত্যাগ কৰি তাৰপৰা দলে-বলে গুচি আহিছে।"

"ৰাক্ষসটো উত্তৰ সীমালৈ কিয় গ'ল— ?" দুশ্চিন্তিত সেনাধিপতিয়ে নিজক সোধাদিয়েই কথাটো সুধিলে।

"আমাৰ সৈন্যহঁত সেই পৰ্বতসম ভয়ংকৰ সমুদ্ৰীৰাক্ষসৰ আগত আছিল তেনেই তৃণৱৎ। তাক বাধা দিয়াৰ সাহস বা শক্তি আমাৰ সৈন্যহঁতৰ নাছিল। সেই চেষ্টা কৰাহেঁতেন, তাৰ ভৰিৰ তলুৱাৰ তলত চেপা খাই সৈন্যহঁত পোনে পোনেই পাতাল পালেগৈহেঁতেন। ভীত-ত্ৰস্ত হৈ ফেটীৰ মূৰ ছিঙা লৰ দি পলাই অহা সৈন্যহঁতৰেপৰাই মই এইবোৰ অতি ভয়ানক তথা আমাৰ পক্ষে বিড়ম্বনমূলক সম্বাদ পাইছোঁ।" দলাধিপতি বীৰসিংহই সেই বিষম পৰিস্থিতিৰ কথাপানি সেনাধিপতিক গম্ভীৰসিংহক বুজাই ক'লে।

অলপ পৰলৈ মৌন হৈ থকাৰ পাছত সেনাধিপতিয়ে ক'লে, "তোমাৰ বক্তব্য হ'ল যে—সেই ভয়ানক সমুদ্ৰী-ৰাক্ষসটো এইবাৰ আমাৰ ৰাজ্যৰ উত্তৰ দিশলৈ গ'ল। গতিকে—আমাৰ ৰাজ্যৰ উত্তৰ সীমালৈ অনতিপলমে সৈন্য প্ৰেৰণ কৰিব লাগে। নহ'লে তাতো কিজানি এনেকুৱা বিপৰ্য্যয় ঘটি থাকিব। আৰু—আমি দুয়ো যেতিয়া কথা পাতি আছোঁ, তেতিয়ামানে যে তাত কিবা ঘটা নায়েই—তাকো ন-দি কোৱা নাযায়। গতিকে—দক্ষিণ সমুদ্ৰতটলৈ যেনেকৈ তিনি ভাগ কৰি সৈন্যদলক মোতায়েন কৰিছিলা, উত্তৰ সীমাতো ঠিক তেনেকুৱা ব্যৱস্থা অৱলম্বন কৰাঁ। আৰু—দক্ষিণ সমুদ্ৰ-তটলৈকো পুনৰ্বাৰ সৈন্য প্ৰেৰণ কৰাঁ। এইবাৰ আমাৰ বছা বছা বাঘ-বুকুৱা সৈন্যহঁতক দক্ষিণ সমুদ্ৰতটলৈ প্ৰেৰণ কৰিব লাগে। আৰু—সেই ভয়ানক সমুদ্ৰী ৰাক্ষসটোৰ বিতং বিবৰণ মোক এতিয়াই —যিমান শীঘ্ৰে সম্ভৱ সিমানেই শীঘ্ৰে লাগে। যিমান শীঘ্ৰে সম্ভৱ—সেই ভয়ংকৰ ৰাক্ষসটোৰ বিষয়ে মোক জনাবা। মনত

ৰাখিবা, প্ৰজাহঁতক নিৰাপত্তা প্ৰদানৰ বাবে আমি প্ৰতিজ্ঞাৱদ্ধ।”

*

এই বুলি কৈয়েই সেনাধিপতি গম্ভীৰসিংহ পোনে পোনেই ৰাজপ্ৰাসাদলৈ গ'ল আৰু দলাধিপতি বীৰসিংহৰপৰা শুনা কথাখিনি ৰজা প্ৰতাপবৰ্মাদেৱকো বিস্তাৰিত বুজাই ক'লে।

*

সমুদ্ৰী-ৰাক্ষসৰ বিৱৰণ শুনি ৰজা প্ৰতাপে সেনাধিপতিক ক'লে, “যি শুনিলোঁ—সি প্ৰাগৈতিহাসিক যুগতহে সম্ভৱ আছিল। এই যুগতো এনেহেন ৰাক্ষস জন্তু সমুদ্ৰ ভেদি উঠি অহাটো গল্পত গৰু উঠা কথা যেনহে লাগে। আৰু এটা কথা, সেই সমুদ্ৰী ৰাক্ষস-জন্তুটোক স্বচক্ষে দেখা আমাৰ সৈন্যহঁতৰ কাৰোবাক লগ পাইছানে?”

“নাই পোৱা, মহাৰাজ!” সেনাধিপতি গম্ভীৰসিংহই ক'লে, “আৰু সেইহে—সেই সমুদ্ৰী-ৰাক্ষসটোক—পাৰিলে, আৰু আপুনি যদি অনুমতি দিয়ে—মই নিজেই তালৈ গৈ চাই আহিমগৈ বুলি ভাৱিছোঁ।”

ৰজা প্ৰতাপে সেনাধিপতিক অনুমতি প্ৰদান কৰিলে।

*

সেনাধিপতি গম্ভীৰসিংহই দলাধিপতি বীৰসিংহক মতাই অনালে আৰু ক'লে,



"বীৰসিংহ, সমুদ্ৰী-ৰাক্ষস কি আৰু কেনেকুৰা জন্তু—সেই কথাৰ ভু লবলৈ আজি মই নিজেই ৰাজ্যৰ দক্ষিণ সীমালৈ যাম বুলি স্থিৰ কৰিছোঁ। মোৰ লগত তুমিও তালৈ ওলাবা। আমি দুপৰীয়াতে ৰাওনা হ'ম, তুমি তালৈ যাবলৈ সৰ্বপ্ৰকাৰে সাজু হৈ থাকিবা।"

দলাধিপতিয়ে সুধিলে, "আমাৰ লগত সৈন্য কিছুমানকেই লওঁনে?"

"নহয়, নালাগে। তোমাৰ লগত কোনো সৈন্য নাথাকিলেও হ'ব। কিন্তু আজি ৰাতিৰ পৰতে পৰ দিবলৈ যিখিনি সৈন্য তালৈ পঠোৱাৰ কথা আছিল, সিইতক পঠাবা। আমি তালৈ যোৱাৰ খবৰ তৃতীয় কোনো মানুহে যাতে নাপায়—তাৰ প্ৰতি সতৰ্ক হৈ থাকিবা।" সেনাধিপতি গম্ভীৰসিংহই দলাধিপতি বীৰসিংহক সাৰ কথাখিনি বুজাই ক'লে।

*

দুপৰীয়াৰ পৰাতে, ঘোঁৰাৰ পিঠিত উঠি, সেনাধিপতি আৰু দলাধিপতি মাণিক্যপুৰীৰ দক্ষিণ সীমালৈ বুলি ৰাওনা হ'ল আৰু সাঁজ লাগি ভাগোঁ ভাগোঁ সময়ত সেনাধিপতি গম্ভীৰসিংহ আৰু দলাধিপতি বীৰসিঙে দক্ষিণ সীমা পালেগৈ। এন্ধাৰৰো এবিধ পোহৰ আছে। এন্ধাৰৰ সেই পোহৰৰ সহায়ত সেনাধিপতিয়ে দেখা পালে—দক্ষিণসীমাৰ সমুদ্ৰতীৰস্থ জনপদ নিশ্চিহ্ন। তাত এতিয়া একেবাৰে পৰিপূৰ্ণ নিমাওমাও অৱস্থা! আনকি তাত ইমানকালধৰি থকা গছ-গছনিবোৰো তাৰপৰা বিলুপ্ত!

এনেহেন নিৰ্জন উন্মুক্ত প্ৰান্তৰৰ কোনো কল্পনাও সেনাধিপতিয়ে কৰিব পৰা নাছিল। তেওঁ তীক্ষ্ণভাবে চতুৰ্দিশ পৰ্য্যবেক্ষণ কৰি থাকিল।

*

সমুদ্ৰতীৰত অন্ধকাৰ ক্ৰমাত গাঢ় হৈ আছিল। তেতিয়া সেই নিৰ্জন প্ৰান্তৰৰ

ওপৰত তৰাভৰা আকাশ আৰু তলত গৰ্জনশীল সমুদ্ৰ বাদে—আন সকলো যেনিবা নিশ্চল। আৰু এনেকৈয়েই, এক অতি অস্বস্তিকৰ পৰিবেশৰ মাজেদি ৰাতি এপৰ দুপৰ তিনিপৰ পাৰ হৈ গ'ল। এইবাৰ বিনিদ্ৰ ৰাতিয়ে চতুৰ্থ প্ৰহৰত ভৰি দিলে, আৰু সেই ঘনান্ধকাৰ ক্ৰমাত অপসৃত হ'বলৈ ধৰিলে। আৰু যেতিয়া অন্ধকাৰৰ আঁৰপট দাঙি প্ৰভাতে মঞ্চোপৰি ওলাবৰ হ'ল, তেতিয়া অকস্মাৎ সমগ্ৰ সমুদ্ৰ জুৰি এক বিশাল আলোড়ন উপস্থিত হ'ল আৰু সেই ভয়ংকৰ শব্দৰ আকৃষ্ট হৈ সেনাধিপতিয়ে সগৰ্জন সমুদ্ৰলৈ ঘূৰি চাই যি দেখা পালে—তাৰে তেওঁহেন সেনাপতিৰো ভয় কোৰত দেহ অবশ হৈ পৰিল। সেনাধিপতিয়ে দেখা পালে—সমুদ্ৰ ভেদ কৰি এটা চলমান পৰ্বত ক্ৰমাত উঠি আহিছে, আৰু সেই বিৰাট-বিশাল পৰ্বতটোৱে পোনে পোনেই তেওঁলোকৰ পিনেহে গতি লৈছে!

*

সেনাধিপতিয়ে দলাধিপতি বীৰসিংহক কৈ উঠিল, "এই পৰ্বতাকাৰ সমুদ্ৰী ৰাক্ষসক কোনেনো বাধা দিব পাৰিব? এনে পৰ্বতসম সমুদ্ৰী-ৰাক্ষসৰ আগত আমিনো কোন কুটা?"

আৰু পৰ দি থকা সৈন্যহঁতে আগতেই দৌৰি পলাইছিল, এইবাৰ দলাধিপতি বীৰসিংহ আৰু সেনাধিপতি গম্ভীৰসিংহয়ো ধেঁৰাত উঠি নিমিষতে তাৰপৰা নোহোৱা হৈ পৰ্বতহেন সমুদ্ৰী-ৰাক্ষসৰ কবলপৰা তথা জীয়া মৃত্যুৰ গৰাহৰপৰা কথমপি ৰক্ষা পৰিল।

*

বহু দূৰলৈ যোৱাৰ পাছত সেনাধি-পতিয়ে এবাৰ পিছফাললৈ ঘূৰি চালে আৰু সমুদ্ৰী-ৰাক্ষসক পুনৰ সেই তৰংগ-বিক্ষুব্ধ সগৰ্জন সমুদ্ৰৰ পানীত টুপ্‌কৈ ডুব মাৰি নোহোৱা হোৱা দেখা পালে।

দলাধিপতিয়ে ক'লে, "কিন্তু হুজুৰ, এই ভয়ংকৰ সমুদ্ৰী-ৰাক্ষসটোৱে যদি কেনেবাকৈ আমাৰ ৰাজধানী পায়গৈ তেতিয়া আমাৰ কি হ'ব?"

"ঠিক, তুমি ঠিকেই কৈছা। এই ভয়ানক সমুদ্ৰী-ৰাক্ষসে যাতে একোপধ্যে ৰাজধানীত ভৰি দিব নোৱাৰে—তাৰ যথাযোগ্য ব্যৱস্থা আমি এতিয়াই হাতত ল'ব লাগিব। কেৱল সিমানেই নহয়, সমুদ্ৰী-ৰাক্ষসক যেনেতেনে হত্যাও কৰিব লাগিবই. নহ'লে আমাৰ নিস্তাৰ নাই। শুনা, এতিয়াৰপৰা আৰু কোনো সৈন্যক সমুদ্ৰতট পৰ দিবলৈ ভুলতো নপঠাবা। জানি-বুজি মৰিবলৈ ওলাই কোনো লাভ নাই।" এই কথা কৈ, সেনাধিপতিয়ে পুনৰ বেগেৰে তেওঁৰ ঘোঁৰা চলাই দিলে।

*

সেনাধিপতি গম্ভীৰসিংহই যেতিয়া ৰাজপ্ৰাসাদ পালেগৈ, তেতিয়া তাত মহাৰাজ প্ৰতাপবৰ্মাই ৰাজগুৰু গৌৰিনাথৰ সৈতে কথা পাতি আছিল। গম্ভীৰসিংহক দেখা পায়েই মহাৰাজে সুধিলে, "সমুদ্ৰী-ৰাক্ষসক দেখা পালানে? তেনেকুৱা কিবা সঁচাসঁচিকৈয়েই আছেনে?"

"আছে, মহাৰাজ!"

গম্ভীৰ কণ্ঠেৰে গম্ভীৰসিংহই ক'লে, "আৰু—মই স্বচক্ষে দেখা পালোঁ সেই পৰ্বতাকাৰ সমুদ্ৰী-ৰাক্ষসটোক। আমাৰ সৈন্যইতৰ কথাত যে কোনো বাহুল্য নাছিল, সেই কথাত এতিয়া আৰু কোনো সন্দেহ নাই মোৰ।"

তাৰ পাছত—দক্ষিণ-সমুদ্ৰতটলৈ গৈ তেওঁ কিবোৰ কি দেখা পালে—তাৰ বিস্তাৰিত বিবৰণ মহাৰাজৰ আগত দাখিল কৰিলে তেওঁ।

*

দুশ্চিন্তিত হৈ পৰা মহাৰাজ প্ৰতাপবৰ্মাক ৰাজগুৰু গৌৰিনাথে ক'লে, "মহাৰাজ, চন্দ্ৰকেতু কুলশ্ৰেষ্ঠ পূজাৰীৰ

দ্বাৰা শাপগ্ৰস্ত হৈছিল। মোৰ সন্দেহ, এই সমুদ্ৰী-ৰাক্ষস হ'ল সেই শাপগ্ৰস্ত চন্দ্ৰকেতু। 'শতাব্দিকা পুষ্প' অৰ্থাৎ সেই অভিশপ্ত পুষ্প আমাৰ ৰাজ্যৰ উত্তৰ দিশতেহে আছে। এই বিচিত্ৰ পুষ্পৰ প্ৰতি আকৰ্ষিত হৈয়েইহে অভিশপ্ত চন্দ্ৰকেতুৱেই এনেবোৰ বীভৎস কাণ্ড কৰি আছে বুলি মোৰ বিশ্বাস। আৰু—এনে অৱস্থাত—সেই 'অভিশপ্ত পুষ্প'য়েই—সেই 'শতাব্দিকা পুষ্প'য়েই আমাক তথা আমাৰ ৰাজ্যখনক এইবোৰ—এনেবোৰ বীভৎস তথা ভয়ংকৰ অথন্তৰৰপৰা ৰক্ষা কৰিব পাৰিব বুলিও আমাৰ দৃঢ় ধাৰণা হৈছে।"

"কিন্তু—অভিশপ্ত পুৰ্ষ্পই আমাক কেনেকৈ অথন্তৰৰপৰা ৰক্ষা কৰিব—মই সেই কথাৰ আগ-গুৰি একো ধৰিব পৰা নাই, গুৰুদেৱ। অভিশপ্ত পুষ্প আমাৰ ৰাজ্যখনৰ পক্ষে ঘোৰ অমংগলীয়া বুলি আপুনিয়েই আগতে কোৱা নাছিলনে, গুৰুদেৱ? মহাৰাজ প্ৰতাপবৰ্মাদেৱে তেওঁৰ মনৰ সংশয় গুৰুদেৱৰ গৌৰিনাথৰ আগত প্ৰকাশ কৰিলে।

"কুলশ্ৰেষ্ঠ পূজাৰীয়ে চন্দ্ৰকেতুক অভিশাপ দিছিল। সেই কাৰণে—চন্দ্ৰকেতুৱে এই জগতৰ ভূমিৰ ওপৰত বিচৰণ কৰিব নোৱাৰে। ইপিনে—অভিশপ্ত পুষ্পয়ো তাক আকৰ্ষণ কৰি আছে মাণিক্যপুৰীলৈ. গতিকে—মোৰ দৃঢ় বিশ্বাস—আমি যদি সেই 'অভিশপ্ত পুষ্প' বা 'শতাব্দিকা পুষ্প'ক সমুদ্ৰতটলৈ লৈ যাব পাৰোঁ, সি—অৰ্থাৎ অভিশপ্ত চন্দ্ৰকেতু আৰু এই পিনে নাহিব—কোনো জনপদ বা ৰাজধানী ধ্বংস কৰিবলৈ নোলাব সি। কিন্তু—এনে সাহসিকতা-পূৰ্ণ কামটো কোনেনো কৰিব? অভিশপ্ত বা 'শতাব্দিকা পুষ্প'ক কোনে সেই উত্তৰ সমুদ্ৰতটলৈ—সেই ভয়ংকৰ নিৰ্জন ঠাইলৈ লৈ যাব?" ৰাজগুৰু গৌৰিনাথে যেনিবা

মহাৰাজ প্ৰতাপক নহয়, নিজক কোৱা-দিয়েই এই কথাখিনি ক'লে।

গুৰুদেৱ গৌৰিনাথৰ কথাখিনি শুনাৰ অন্তত মহাৰাজ প্ৰতাপৰ মনত পৰি গ'ল মায়ং পৰ্বতস্থিত সাহসী পাৰ্বত্যজাতিৰ সাহিয়াল যুৱক উত্তুংগৰ কথা, মাণিক্য-পুৰী ৰাজ্যৰ বসন্তোৎসৱত যোগদান কৰি বিজয় গৌৰৱ লাভ কৰা সেই বলিষ্ঠ তথা কৰ্মিষ্ঠ যুৱকটিৰ কথা।

মহাৰাজৰ মনত পৰিল: মায়ঙৰ পাৰ্বত্যজাতিৰ এই অসীম সাহসী উত্তুংগয়েই কোনো দিনে শুকাই লেৰেলি নোযোৱা সেই বিচিত্ৰ পুষ্প ৰাজকুঁৱৰী প্ৰিয়ম্বদালৈ মৰমৰ উপহাৰ হিচাপে আগবঢ়াইছিল।

মহাৰাজে এবাৰ ৰাজগুৰুৰ পিনে দৃষ্টিপাত কৰিলে আৰু তাৰ পাছত সেনাধিপতি গম্ভীৰসিংহক গম্ভীৰ কণ্ঠেৰে ক'লে, "আমাৰ ৰাজ্যখনক, তথা ৰাজ্যৰ আপামৰ প্ৰজা-সাধাৰণক সমুদ্ৰী-ৰাক্ষসৰ কৱলৰপৰা ৰক্ষা কৰাৰ প্ৰচেষ্টা কৰিম, তাৰ কাৰণে—কালিলৈ ধলপুৱাতে মই নিজেই উত্তুংগৰ সৈতে সাক্ষাৎ কৰিবলৈ মায়ং পৰ্বতলৈ বুলি ওলাম। মোৰ লগত দলাধিপতি বীৰসিংহও ওলাব পাৰে যদি—ভালেই পাম।" তাৰ পাছত তেওঁ পুনৰ ৰাজগুৰুলৈ চাই ৰাজগুৰুক ক'লে "গুৰুদেৱ! মোক আশীৰ্বাদ কৰক, মোৰ উদ্দেশ্য সফল হয় যেন।" এই বুলি কৈ মহাৰাজ প্ৰতাপবৰ্মাদেৱে ৰাজগুৰু গৌৰীনাথৰ আগত তেওঁ মূৰ দোঁৱালে।

"তোমাৰ উদ্দেশ্য অতি সাধু, আৰু ৰাজ্যৰ সাৰ্বিক মংগলৰ কাৰণে নিছক উছৰ্গিবলৈ ওলাইছা। তুমি, গতিকে, তোমাৰ এই উদ্দেশ্য—নিশ্চয় সফল হ'ব। আমাৰ দৈৰৱীমাতা তোমাৰ সহায় হওক।" এই বুলি কৈ ৰাজগুৰু গৌৰিনাথে মহাৰাজক আশীৰ্বাদ কৰিলে। [আগলৈ



আত্মসমীক্ষা

অটল প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ ডালৰপৰা মৃত-দেহটো নমাই আনি কান্ধত লৈ এন্ধাৰৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শৱস্থিত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, আমঠালিৰো এটা সীমা থাকিব লাগে। তুম-তুম নামাতি যুগ যুগ ধৰি ভাল বুলি ভাবি যি অশেষ শ্ৰম কৰি আছা, শেহলৈ কি যে হ'ব—তুমিও নাজানা। তাৰ ফলাফল বেয়াও হ'ব পাৰে গতিকে—যি কৰিবা, বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি কৰাটোহে ভাল। এই বিষয়ে আজি মই তোমাক—অজেয় নামৰ এগৰাকী যুৱৰাজৰ কাহিনী ক'ম। এই কাহিনীয়ে তোমাক আন একো নিদিলেও নিশ্চত ভাবেই আত্মসমীক্ষাৰ জ্ঞান দিব।" এই বুলি কৈ, বেতালে কৈ থাকিল:

'বেতাল-কথা'

অৰূপগিৰি ৰাজ্যৰ ৰজা মহাৰাজ বিবেকবৰ্মাদেৱৰ আছিল দুই পুত্ৰ। পুত্ৰ দুজনৰ নাম যথাক্ৰমে অজেয় আৰু বিজয়। ডাঙৰ অজেয়ৰ স্বভাৱ-চৰিত্ৰ আচাৰ-আচৰণৰ মাজত সন্ন্যাসীৰ হাৱ-ভাৱ প্ৰকাশ পাইছিল, কিন্তু বিজয় আছিল সম্পূৰ্ণ বিপৰীত ধৰ্মী।

অজেয়ই তাৰ যোল বছৰীয়াতে সৰ্ববিদ্যা-বিশাৰদ হৈ উঠিল। পিতৃ বিবেকবৰ্মাদেৱে অজেয়কে যুৱৰাজ পাতিব তথা সিংহাসনত অধিষ্ঠিত কৰিব বুলি স্থিৰ কৰিলে, কিন্তু এই কথাত বিজয়ে দেখদেখকৈ আপত্তি দৰ্শালে। বিজয়ে তাৰ দেউতাক ক'লে, "ককাইদেউ মোতকৈ বয়সত ডাঙৰ, ইমানেই তাৰ গুণ। নহ'লে—দেশৰ ৰজা হোৱাৰ যোগ্যতা তাৰ নাই। ককাইদেউৰ আচাৰ-আচৰণ সন্ন্যাসীৰ দৰে, ৰজাৰ দৰে নহয়।"

অজেয়ই হাঁহি মাৰি ক'লে, "মই সন্ন্যাসী বুলি কেতিয়াবা কৈছোনে কাৰোবাক? তুমিহে মোক সন্ন্যাসী বুলি কৈ আছা, আকৌ তুমিয়েই মোৰ ৰজা হোৱাৰ বিৰোধিতা কৰিছা। মোৰ মাজত যে ৰাজ্যৰ আকাংক্ষা আছে, তুমিয়েই কোৱা নাইনে? তেনেস্থলত—দেউতাই মোক যুৱৰাজ পতাত তোমাৰ ইমান আপত্তিৰ হেতু কি?"

মহাৰাজ বিবেকবৰ্মাদেৱে বিজয়ক ক'লে, "বিজয়, তোমালোক ৰাম-লক্ষ্মণৰ দৰে হৈ থাকিবা, এয়ে মোৰ অভিপ্ৰেত। আৰু— ৰীতি-ধৰ্ম অনুসাৰে জ্যেষ্ঠইহে ৰাজত্ব পাব লাগে।"

বিজয়ে তিতা-কেঁহা লাগি ক'লে' "ৰাজত্ব কৰিবলৈ হ'লে বাহুবলৰ আৱশ্যক হয়, দাৰ্শনিক তৰ্কবাদেৰে ৰাজ্যশাসন নহয়। সেইবোৰ কৰিবলৈ মন্ত্ৰীবৰ্গ থাকিব। যুদ্ধবিদ্যাত মই ককাইদেউক অৱশ্যেই পৰাভূত কৰিম, কোন ৰজা হ'ব সেই সাৰ কথাটো যুদ্ধবিদ্যাৰ পৰীক্ষাৰেই

স্থিৰ কৰা হওক।”

অজেয়ই ভায়েকৰ এই প্ৰস্তাৱৰ সন্মত হ'ল। কিন্তু বিজয় সৰ্ববিদ্যাত—বিশেষকৈ যুদ্ধবিদ্যাত এতিয়াও পূৰ্ণতা প্ৰাপ্ত নোহোৱাত এই যুদ্ধবিদ্যা-প্ৰতিযোগিতা দুবছৰৰ বাবে স্থগিত থাকিল।

এই দুটা বছৰ বিজয়ে প্ৰচুৰ পৰিশ্ৰম কৰি যুদ্ধবিদ্যাত পাৰদৰ্শিতা আৰ্জিবলৈ ধৰিলে। যুদ্ধবিদ্যাত তাৰ প্ৰচণ্ড পাৰদৰ্শিতাক তাৰ শিক্ষাগুৰুৱেও শলাগিলে। কিন্তু দুবছৰৰ অন্তত যেতিয়া অজেয়ৰ বিৰুদ্ধে বিজয়ে অস্ত্ৰ ধাৰণ কৰিলে, তেতিয়া বিজয় অজেয়ৰ হাতত বেয়াকৈ পৰাজিত হ'ল।

বিস্মিত বিজয়ে অজেয়ক ক'লে, “যুদ্ধবিদ্যাত তুমি ইমান দক্ষ—ইমানেই পাৰদৰ্শী,—অথচ তোমাৰ মাজত ৰাজ্যাকাংক্ষা নাই বুলি কোৱা কিয় ?”

“শুনা, দাৰ্শনিকতা আৰু ৰজা হোৱাৰ মানসিকতা—এই গুণ সমান সমান থাকিলেহে এগৰাকী আদৰ্শ ৰজা হ'ব পাৰি। মোৰ মাজত ৰাজ্যাকাংক্ষা নাই, কিন্তু মই ৰজা হ'লে দেউতা সুখী হ'ব আৰু লগতে প্ৰজাবৰ্গয়ো আনন্দিত হ'ব। এই কাৰণে মই ৰজা হ'ব খুজিছোঁ।” অজেয়ই বিজয়ক ক'লে।

মহাৰাজ বিবেকবৰ্মাদেৱেও অজেয়কেই ৰজা পাতিবলৈ স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। যদিও বিজয়ে পুনৰ এই কথাত আপত্তি দৰ্শালে। কিন্তু মহাৰাজে বিজয়ৰ আপত্তিলৈ কাণসাৰ নকৰিলে। তেতিয়া বিজয় তাৰ মাতৃৰ কাষ চাপিল আৰু মাতৃক তাৰ অভিযোগৰ কথা বুজাই ক'লে আৰু শেষত মন্তব্য কৰিলে, “দেউতাই কিয় মোক ৰাজত্ব নিদিব ?”

“শুনা, বোপা, সেই বুলি ৰাজদ্ৰোহ নকৰিবা। ৰাজদ্ৰোহৰ দণ্ড যে মৃত্যু—কথাটো মনত ৰাখিবা।”

কিন্তু আমঠ বিজয়ে ক'লে, “মোৰ

এই দাবীৰ সমৰ্থকো প্ৰচুৰ সংখ্যক মানুহ আছে! আনকি—আমাৰ সেনাপতিও দোমন-দোহস্ত হৈ আছে এই কথাত। তেওঁ মোৰেই সমৰ্থক। ৰাজদ্ৰোহ কৰিলেও ময়েই ৰজা হ'ম আৰু ৰুকাইদেউল অৰণ্যলৈ পঠাম। পঠাব নালাগে, পলাব।"

বিজয়ৰ এইবোৰ কথা মহাৰাণী মৈত্ৰেয়ে আখৰে আখৰে কৈ দিলে তেওঁৰ স্বামী মহাৰাজক। শুনি মহাৰাজ অগ্নিবৰ্ণ হৈ উঠিল। তেওঁ দুয়োজন পুত্ৰক মতাই অনালে আৰু ক'লে যে ৰাজদ্ৰোহৰ দণ্ড মৃত্যু, আন একো নহয়।

এই কথা শুনি অজয়ই ক'লে, "দেউতা, বিজয়ে ৰাজদ্ৰোহ কৰাৰ বিষয়ে মই গোপন সূত্ৰেৰে খবৰ-বাতৰি লৈ আছোঁ। আপুনি এই বিষয়ে চিন্তিত নহ'ব। সি কোনসকলৰ সৈতে যোগাযোগ কৰিছে, তাৰ বুদ্ধিদাতা গৰাকীহঁত কোন কোন — মোৰ নখ-দৰ্পণত। এটা কথা বিজয়ে জানি থোৱা ভাল, যে ৰাইজে মোকেই ৰজা পাতিব বিচাৰিছে। যি কি নহওক, দেওতা, আপুনি তাক ক্ষমা কৰক।"

"কিন্তু ৰাজদ্ৰোহ কৰিবলপূৰ্বক তথা ষড়যন্ত্ৰৰ যোগেদি ৰাজ্য অধিকাৰ কৰাৰ উদ্দেশ্য তাৰ মনত প্ৰত্যক্ষৰূপে আছে। তাক দণ্ড নিদিয়াকৈ এৰি দিওঁ কেনেকৈ? যদি পুলিতেই বিষবৃক্ষ উভালি নেপেলাওঁ, পাছত বিপত্তি হ'ব।" মহাৰাজে অজয়ক ক'লে।

মহাৰাজৰ এই কথাৰ উত্তৰত অজয়ই ক'লে, "মোৰ মনত ৰাজ্যৰ বাবে বা ৰাজত্বৰ বাবে আকাংক্ষা সঁচাকৈয়েই লেশমানো নাই। আপুনি বিজয়কে ৰজা পাতক। যদি প্ৰজাবৰ্গই তাক ৰজা হিচাপে স্বীকাৰ কৰি লয়—তেনেহ'লে কোনো কথা নাই। মই তেতিয়া তপস্যা কৰিবলৈ অৰণ্যলৈ যামগৈ।"

মহাৰাজে অনিচ্ছাৰেই অজয়ৰ প্ৰস্তাৱত তেওঁৰ স্বীকৃতি দিলে। বিজয়ক

অৰূপগিৰি ৰাজ্যৰ ৰজা পতা হ'ল আৰু ৰজা বিজয়ে কঠোৰভাৱে ৰাজ্য-শাসন কৰি দক্ষ শাসক হিচাপে খ্যাতিও আৰ্জিলে।

কিছুদিনৰ অন্তত অজেয়ই এখন সভা পাতি ৰাইজৰ আগত নিজৰ অভিপ্ৰায় ব্যক্ত কৰিলে যে—বিজয়ে যিহেতু দক্ষতাৰে ৰাজ্য-শাসন কৰিব পাৰিছে, এইবাৰ তেওঁ (অজেয়ই) তপস্যাৰে জীৱন কটাবলৈ অৰণ্যলৈ যাবগৈ।

কিন্তু সভাত উপস্থিত থকা ৰাইজে এতিয়াও অজেয়কেই ৰাজ্যৰ ৰজা হিচাপে মানে বুলি ক'লে। ৰাইজৰ কথা শুনি বিজয়ৰ মুখ শেঁতা পৰিল। বিজয়ে সমূহ ৰাইজক সুধিলে, "ৰজা হিচাপে মোৰ সামৰ্থ্যৰ তথা যোগ্যতাৰ ওপৰত আপোনালোক আস্থাৱান নহয়নে?"

ৰাইজে ক'লে যে—অজেয় আছে বুলিহে তেওঁলোকে বিজয়ক প্ৰতিনিধিত্ব-মূলক ৰজা হিচাপে মানি লৈছে। কিন্তু অজেয় যদি তপস্যা কৰিবলৈ অৰণ্যলৈ গুচি যায়, তেতিয়া কথা বেলেগ হৈ যাব, তেওঁলোক প্ৰায় পিতৃহীন হৈ পৰিব। জীৱনকাল ধৰি বিচাৰি থাকিলেও অজেয়ৰ সমান কাকো পাবলৈ নহ'ব।

তেতিয়া অজেয়ই ৰাইজক ক'লে, "এই ৰাজ্যৰ ৰজা ময়েই। বিজয়ে



প্ৰকৃততে মোৰ প্ৰতিনিধিত্ব কৰিছে আৰু কৰি থাকিব। যদি বিজয়ৰ শাসনত কাৰোবাৰ কিবা অসুবিধা হয়, তেওঁ অৰণ্যলৈ মোৰ ওচৰলৈ যাব পাৰিব।"

বিজয়েই ৰজা হৈ থাকিল। কিন্তু তথাপি তাৰ মনত শান্তি নাই, তৃপ্তি নাই। সি যে স্বয়ংসম্পূৰ্ণ ৰজা নহয়, সেই কথা বিন্দুত তোৰাটো — তাৰ পক্ষে টানেই। আৰু—অজেয়েই যে কোনোবা-দিনা অৰণ্য এৰি ৰাজধানীলৈ আহি সিংহাসন অধিকাৰ নকৰিব—তাৰো তো কোনো নিশ্চয়তা নাই। — এনেবোৰ কথা চিন্তা কৰি, বিজয়ে অজেয়ক অৰণ্যত

হত্যা কৰিবৰ মনেৰে ৰাজ্যৰ কাৰাগাৰ-পৰা কিছুমান ভয়ংকৰ শ্ৰেণীৰ কয়দীক মুক্ত কৰি দিলে আৰু সিহঁতক অৰণ্যলৈ গৈ অজেয়ক হত্যা কৰিবলৈ উদগালে।

ৰজা বিজয়ৰ আদেশ মতে সিহঁতৰ সেই অৰণ্যলৈ গ'ল আৰু তপস্বী অজেয়কো বিচাৰি উলিয়ালে। কিন্তু অজেয়ৰ হিয়াপমা কথা শুনি সিহঁতৰ মন পৰিৱৰ্তিত হ'ল আৰু সিহঁতে অজেয়ৰ শিষ্যত্ব গ্ৰহণ কৰিলে।

তাৰ পাছত বিজয়ে কিছুমান সুন্দৰী যুৱতীক অজেয়ৰ তালৈ প্ৰেৰণ কৰিলে অজেয়ৰ পতনৰ আশাৰে। কিন্তু সেই যুৱতীহঁতেও অজয়ৰ শিষ্যত্ব গ্ৰহণ কৰিলে।

এতিয়া বিজয়ে উপলব্ধি কৰিলে যে অজেয়ৰ কোনো অনিষ্ট কৰাটো কিমান টান কথা। গতিকে—এইবাৰ বিজয়ে বিদ্ৰোহৰ বাট ল'লে। বিজয়ে ৰাজ্যৰ চুকে-কোণে এই ঘোষণা কৰোৱালে যে—সি হ'ল স্বয়ংসম্পূৰ্ণ ৰজা।

কিন্তু ৰাইজৰ নেতৃস্থানীয় ব্যক্তিবৰ্গই, আৰু লগতে কিছুমান ৰাজকৰ্মচাৰীয়েও বিজয়ৰ এই ঘোষণাৰ বিৰোধিতা কৰিলে। এই সম্বাদ পাই বিজয়ে এনেবোৰ ব্যক্তিক ৰাজ্যৰপৰা বহিষ্কাৰ কৰিলে আৰু এওঁলোক তেতিয়া অৰণ্যলৈ গৈ অজেয়ৰ কাষ চাপি সকলো কথা ক'লে।

তেওঁলোকৰ মুখৰপৰা বিৱৰণ শুনাৰ অন্তত অজেয়ই তেওঁলোকক ক'লে, "বিজয়ৰ ৰাজ্যশাসনত মই হস্তক্ষেপ নকৰোঁ। যদি আপোনালোকে অসুবিধা পাইছে, ইয়াতে থাকক। ইয়াত আপোনালোকৰ একো অভাৱ নহ'ব।"

দিন যোৱাৰ লগে লগে বিজয়ৰ শাসন অত্যাচাৰী হৈ উঠিল। ৰাইজে ঘৰ-দুৱাৰ এৰি অধিক সংখ্যাত হাবি-জংগলৈকে গৈ থাকিল। অজেয়ই সকলোকে আশ্ৰয় দিলে। কিন্তু ক্ৰমে অৱস্থা অতি ভয়ানক হৈ উঠিল। যেতিয়া দলে দলে মানুহ-

মুনিহ অৰণ্যলৈ বুলি খোজ ল'লে, তেতিয়া অজেয়ই প্ৰমাদ গণিলে।

এইবাৰ অজেয়ই তেওঁৰ তপোশক্তিৰে এক মহীৰুহ অৰ্থাৎ বটবৃক্ষ সৃজিলে। এই তপোসিদ্ধ মন্ত্ৰঃপূত বটবৃক্ষৰপৰা প্ৰাৰ্থিত যিকোনো বস্তু পোৱা যাব।

এদিন, লগত কিছুমান বছা বছা ঘাতুক সৈন্য লৈ ৰজা বিজয় অৰণ্যলৈ গ'ল আৰু অজেয়ক ক'লে, "তুমি তোমাৰ আশ্ৰমত ৰাজদ্ৰোহী অপৰাধীহঁতক আশ্ৰয় প্ৰদান কৰিছা। গতিকে—তুমিও ৰজাৰ দৃষ্টিত ৰাজদ্ৰোহী। এই অভিযোগৰ উত্তৰত তোমাৰ কি ক'বলগা আছে কোৱা।"

অজেয়ই শান্ত কণ্ঠেৰেই ক'লে, "এই ৰাজ্যৰ প্ৰকৃত ৰজা মইহে। গতিকে—তোমাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ কোনো আৱশ্যকতা মই নেদেখোঁ। তুমি এই ৰাজ্য এৰি এতিয়াই গুচি যোৱা।"

বিজয়ে অজেয়ক বন্দী কৰিবলৈ তাৰ লগত লৈ অহা ঘাতুক সৈন্যহঁতক ইংগিত কৰা মাত্ৰেই অজেয়ৰ নিৰ্দেশত সেই তপোসিদ্ধ বটবৃক্ষৰপৰা সহস্ৰ সশস্ত্ৰ সৈনিক মুহূৰ্ততে নামি আহিল। তেতিয়া অজেয়ই এই সৈন্যহঁতক ক'লে, "এই বিজয় নামৰ অপদাৰ্থ শাসকটোক এই ৰাজ্যৰপৰা বহিষ্কাৰ কৰি দিয়া।"

লগে লগে বটবৃক্ষীয় সৈন্যহঁতে বিজয়ক বন্দী কৰি লৈ গ'ল আৰু ৰাজ্যৰ

সীমাৰপৰা বহিষ্কৃত কৰিলে।

তাৰ পাছত, অৰণ্য এৰি ৰাজধানীলৈ গৈ অজেয়ই নিজক অৰূপগিৰি ৰাজ্যৰ ৰজা হিচাপে ঘোষণা কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! অজেয়ৰ নিচিনা সন্ন্যাসী-মনোবৃত্তি সম্পন্ন মানুহ এজনে ৰাজ্য আৰু ৰাজত্বৰ প্ৰলোভন এৰিব নোৱাৰি এই কাম কৰাটো গৰিহিত নহ'লনে? অনুজ বিজয়ক তপোবল তথা সৈন্যবল প্ৰয়োগৰদ্বাৰা ৰাজ্যৰপৰা বহিষ্কাৰ কৰি স্বয়ং ৰজা হোৱাটো কিমান সমৰ্থনীয়? মোৰ প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি যে চাৰিফাল হ'ব সেই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "সন্ন্যাসী-মনোবৃত্তি-সম্পন্ন মানুহ—তাৰ অৰ্থ এয়া নহয় যে সেইজন মানুহ চকু থাকোঁতেও কণা, কাণ থাকোঁতেও কলা হ'ব লাগিব। অজেয় যে সন্ন্যাসী-মনোবৃত্তিসম্পন্ন আছিল, সেই কথাত সন্দেহ নাই। কিন্তু—অত্যাচাৰীৰ কবলত পৰি প্ৰজাবৰ্গই কৰকৰাই থাকিব আৰু তেওঁ কেৱল আত্মস্বাৰ্থী বাবে চকু-কাণ মুদি থাকিব—তেনেকুৱা আত্মস্বাৰ্থী তেওঁ নাছিল। সেইহে, তেওঁ তেওঁৰ সহোদৰ হোৱাসত্ত্বেও অত্যাচাৰী বিজয়ক দেশৰপৰা বহিষ্কাৰ কৰিছিল। অজেয়ৰ এই কাৰ্য্য যথেষ্ট সমৰ্থনীয়, কিয়নো অত্যাচাৰী বিজয় কেৱল ৰাজদ্ৰোহীয়েই নাছিল, বিজয় আছিল প্ৰকৃত দেশদ্ৰোহী।

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৈ পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু শ'টো সেই তাহানিৰ আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডাল এটাত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত

ভাৰতৰ পশু-পক্ষী ঃ

শেন

আন্তৰ্জাতিক ক্ৰীড়া উৎসৱৰ আৰম্ভণীত পাৰ-চৰাই উৰুৱাই বিশ্ব-শান্তি কামনা কৰা হয়। ভাটৌ, মইনা আদি চৰাইক মাত-বোল শিকোৱাৰ দৰে শেন চৰাইকো প্ৰশিক্ষিত কৰা হয়। শেন চৰাইয় আকাশৰ বহু উপৰলৈ উৰি থাকিব পাৰে আৰু যেতিয়াই কোনোবা আহাৰৰ যোগ্য চৰাই তাৰ দৃষ্টিগোচৰ হয়, তেতিয়াই শেন চৰায়ে বিজুলীগতিৰে সেই চৰাইটোক থাপ মাৰি চিকাৰ কৰে।

এসময়ত উত্তৰ ভাৰতত 'মহীন' নামৰ প্ৰজাতি শেন চৰাই ৰাজ-পৰিয়ালসমূহত পোহ-পাল কৰা হৈছিল শেন চৰাইৰ দ্বাৰা আন চৰাইক ধৰি অনা খেল খেলিবলৈ। উৰি থকা চৰায়ে বিজুলীগতিৰে চিকাৰ কৰিব পাৰে আৰু সেইবোৰ চৰাইৰ পাখি বা অপ্ৰয়োজনীয় অংশ বাদ দি আহাৰ কৰে।

পৃথিৱীত প্ৰায় ৬০ বিধৰ শেন চৰাই আছে। ইয়াৰ হাড়ভাগ অতি দৃঢ় আৰু মজবুত। 'মহীন' প্ৰজাতিৰ শেন চৰাইৰ দেহৰ তলৰ অংশ পাতল শুকপীয়া বা পাতল বগা বৰণৰ হয়। কিছুমান শেনচৰাইৰ পেটৰ তলত ক'লা ক'লা আঁচ দেখা যায়।

শেন চৰায়ে নিমাওমাও পৰ্বতীয়া ঠাইত বাহ সাজে। এই চৰায়ে সদায় একেই-ডোখৰ ঠাইত বাহ সাজি কণী পাৰে। মতা শেনতকৈ মাইকী শেন দেখাত ডাঙৰ হয়। মাইকী শেন চৰায়ে পাতল বগাচুৰা বৰণৰ কণী একেলগে তিনি চাৰিটাকৈ পাৰে।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

অমৃতা প্ৰীতমৰ 'পিঞ্জৰী'

ভাৰতৰ বিভাজন হৈ পাকিস্তান সৃষ্টিৰ আগৰ কথা পঞ্জাৱৰ সীমান্তৱৰ্তী গাঁও এখনত পুৰো নামৰ যুৱতীৰ কথা। এই গাঁৱলীয়া যুৱতীৰ জীৱনৰ শুভক্ষণৰ তেতিয়া আৰু বেছি দিন নাই। চুবুৰীয়া গাঁৱৰ ৰামচন্দ্ৰ নামৰ যুৱকৰ সৈতে তাইৰ বিয়া পতা হ'ব। আৰু ঠিক এনেতে ৰছিদ নামৰ মুছলমান যুৱকে পুৰোক ঘৰৰপৰা অপহৰণ কৰিলে।

পুৰোৰ ককাক আছিল সুতখোৰ মহাজন। তেওঁ ৰছিদৰ ককাকক সুতৰ পেঁচত পেলাই জুকলা কৰিছিল। প্ৰতিশোধ ল'বৰ বাবে ৰছিদে পুৰোক অপহৰণ কৰিছিল।

ৰছিদহঁতৰ ঘৰতে কেইদিনমানলৈ বন্দিনী হৈ থকাৰ অন্তত এনিশা পুৰো তাৰপৰা পলাই নিজৰ ঘৰলৈ গুচি আহিল।

কিন্তু পুৰো তাইৰ নিজৰ ঘৰতে অবাঞ্ছিতা হ'ল। মুছলমানে তাইক অপহৰণ কৰিলে, গতিকে —সিহঁতক সিহঁতৰ সমাজ-খনে সমাজৰ বাজ কৰাত আৰুনো কি লাগিছে? পুৰোক যদি এতিয়া ঘৰতে থাকিবলৈ দিয়া হয়, সিহঁতক পা-পৰিয়ালে হিন্দু সমাজখনে পৰিত্যাগ কৰিব, সিহঁতৰ মান-মৰ্য্যাদা নষ্ট হ'ব, সিহঁতক হয়তো একঘৰীয়া কৰা হ'ব। গতিকে — ঘৰত তাইৰ ঠাই নহ'ব বুলি পুৰোক কৈ দিয়া হ'ল। পুৰোই তাইৰ আগত আন কোনো উপায় বিচাৰি নাপাই পুনৰ ৰছিদহঁতৰ ঘৰলৈকে উভতি যাবলৈ বাধ্য হ'ল আৰু তাইক ৰছিদহঁতে আশ্ৰয় দিয়া হ'ল। পাছত ৰছিদে পুৰোক বিয়াও কৰালে।

যিজন ৰামচন্দ্ৰৰ সৈতে পুৰোৰ বিয়া হোৱাৰ কথা আছিল, সেই ৰামচন্দ্ৰৰ সৈতে পুৰোৰ ভনীয়েকৰ বিয়া পতা হ'ল। ৰামচন্দ্ৰৰ ভনীয়েকক বিয়া কৰালে পুৰোৰ ভায়েকে।

এতিয়া আৰু পুৰোৰ সৈতে তাইৰ মাকৰ ঘৰখনৰ কোনো সা-সম্পৰ্ক কোনো সংযোগ নাথাকিল। সকলো ধৰণৰ সম্পৰ্ক ছিন্ন হ'ল। কিয়নো—পুৰো এতিয়া আৰু পুৰো হৈ থকা নাই, তাই হ'ল হমীদা।

ৰছিদে পুৰোক অৰ্থাৎ হমীদাক যথেষ্ট ভাল পায়, আদৰ-যত্ন কৰে, চোৱা-চিতা কৰে। সিহঁতহালৰ ল'ৰা এটিও উপজিল।

এইদৰে—চাওঁতে চাওঁতে ভালেমান বছৰ পাৰ হৈ গ'ল।

ভাৰত দ্বিখণ্ডিত হ'ল। পাকিস্তানৰ জন্ম হ'ল সমগ্ৰ দেশত ভয়াবহ অৰাজকতা বিয়পি পৰিল। হিন্দু আৰু মুছলমান পৰস্পৰৰ শত্ৰু হৈ উঠিল। পুৰো এতিয়া য'ত আছে, সেইডোখৰ ঠাই পাকিস্তানৰ অন্তৰ্ভুক্ত হ'ল। তাৰপৰা হিন্দুবিলাকক ডাৰি-হুঁকিৰে ভাৰতলৈ পঠোৱা হ'ল মুছলমানসকলে। কিছুমান হিন্দুৱে যেতিয়া এটা ডাঙৰ ঘৰত আশ্ৰয় ল'লে, তেতিয়া সেই ঘৰটোত জুই লগাই দিয়া হ'ল। ভাগ্যে—সময়মতে পুলিছ আহিল, আৰু মানুহবিলাকক কথমপি ৰক্ষা কৰিলে, যদিও ইতিমধ্যে তিনিজন মানুহ জুইত পুৰি মৰিল। জুইৰপৰা ৰক্ষা পোৱাবিলাকক ভাৰতলৈ পঠোৱা হ'ল। যি তিনিজন মানুহ মৰিল, তেওঁলোকৰ অস্থি-পঞ্জৰ তাতেই থাকি গ'ল।

যিবিলাক হিন্দুৱে নিজৰ গাঁও এৰি পলাইছিল, সেই-বিলাকে ৰাতিটোৰ বাবে পুৰোহঁতৰ গাঁৱতে আছিল। পুৰোই সেই নিশা ৰামচন্দ্ৰকো তাত দেখা পাইছিল। ৰামচন্দ্ৰৰপৰা তাই জানিব পাৰিলে যে তাইৰ ভায়েকৰ পত্নী লাজোৰ কোনো খা-খবৰ নাই।

পুৰো তেতিয়া লাজোক বিচাৰি উলিউৱাত লাগি গৈছে, বাঁৰী মানুহজনীৰ ঘৰত পোৱা গ'ল। বাঁৰীজনীৰ পুতেক তেতিয়া ধুনীয়া বো ধুনীয়া লাজোক ছাদী কৰাবলৈ যো-জা কৰি আছিল।

পুৰোই তাইৰ গিৰিয়েক ৰছিদৰ সহায়ত লাজোক উদ্ধাৰ কৰি ভায়েকৰ হাতত গটাই দিলে। ভায়েকে পুৰোক ক'লে, এতিয়াই তায়ো ভাৰতলৈ উভতি আহক। কিন্তু এতিয়া ৰছিদে তাইক যথেষ্ট মৰম-শ্ৰদ্ধা কৰে। ইমান মৰম এৰি উভতি যোৱাৰ প্ৰশ্ন নুঠে।

আমাৰ সমাজখনৰ চলমান চিত্ৰ-সমৃদ্ধ ৰচনা 'পিঞ্জাৰী'। উপন্যাসখনক আমাৰ সামাজিক দৰ্পণ বুলিও ক'ব পাৰি। ৰচয়িত্ৰী অমৃতা প্ৰীতম পঞ্জাৱৰ অগ্ৰগণ্য লেখিকা। সাহিত্য আকাদেমি আৰু জ্ঞানপীঠ পুৰস্কাৰেৰে তেওঁৰ সাহিত্য-কৃতীক আদৰা হৈছে।•

আমি জানোনে ?

১. খৃষ্টানসকলে শোক প্ৰকাশৰ বাবে ক'লা কাপোৰ লয়। চীনদেশত কেনেকুৱা বৰণৰ কাপোৰ লয় শোক প্ৰকাশৰ বাবে ?
২. বম্বেৰ 'গেটওৱে অৱ্ ইণ্ডিয়া' কোনগৰাকী ৰজাৰ সন্মানাৰ্থে সজা হৈছিল ?
৩. 'কাবুকি' নামৰ নৃত্য-নাট্য কোন দেশৰ নৃত্যনাট্য ?
৪. ১৭৮৮ চনত ইংৰাজে অষ্ট্ৰেলিয়াৰ নগৰ এখনক 'কয়দীৰ কলোনি' হিচাপে ঘোষণা কৰিছিল। সেই নগৰখনৰ নাম কি ?
৫. প্ৰায় দুহেজাৰ বছৰৰপৰা আফ্ৰিকীয় দেশখন কোনখন ?
৬. ২৪০০ বছৰৰ আগতে মৃত্যুদণ্ডপ্ৰাপ্ত গ্ৰিক দাৰ্শনিকগৰাকী কোন আছিল ?
৭. আমাৰ দেশৰ সৰ্বপ্ৰথম প্ৰকাশিত সাপ্তাহিক পত্ৰিকা 'বেংগল গেজেট'ৰ প্ৰকাশক কোন আছিল ?
৮. চীনদেশৰ প্ৰথমগৰাকী শাসকৰ নাম কি ?
৯. পৃথিৱীৰ আটাইতকৈ শীতল ঠাইৰ নাম কি ?
১০. ছাৰ আইজাক পিটম্যান কিহৰ কাৰণে বিখ্যাত ?
১১. 'তাজমহল'ৰ পাৰস্যদেশীয় বাস্তুবিদ ৰূপকাৰৰ নাম কি ?
১২. নাৰীৰ মতামতক সৰ্বপ্ৰথমে মূল্য প্ৰদানকাৰী দেশখনৰ নাম কি ?
১৩. আটাইতকৈ উচ্চ ঠাইত অৱস্থিত ৰাজধানী-নগৰৰ নাম কি ?
১৪. মহাকাশলৈ যোৱা প্ৰথমগৰাকী নাৰীৰ নাম কি ?
১৫. মহাৰাণী ভিক্টোৰিয়াই ইংল্যাণ্ডত কিমান দিনলৈ ৰাজত্ব কৰিছিল ?
১৬. আমাৰ দেশৰ বিখ্যাত সূৰ্যমন্দিৰৰ নাম কি ?
১৭. কৰ্ণাটকীয় সংগীতত কাক কাক ত্ৰিমূৰ্তি বুলি কোৱা হয় ?
১৮. ব্ৰহ্মপুত্ৰ কোনখন সাগৰৰ লগত লগ লাগিছেগৈ ?

উত্তৰ

১. বগা।
২. ইংল্যাণ্ডৰ ৰজা পঞ্চম জৰ্জৰ সন্মানাৰ্থে।
৩. জাপান।
৪. ছিডনি।
৫. এথিঅ'পিয়া।
৬. ছোক্ৰাতেছ (ছক্ৰেটিছ)।
৭. জেমছ অগাষ্টিন হিকি।
৮. চেংগিজখানৰ নাতিয়েক কুবলাইখান।
৯. এণ্টাৰ্কটিক ভোষ্টক ষ্টেশ্যন।
−৮৭ ছেলছিয়াছ।
১০. ষৰ্টহ্যাণ্ড লিপিৰ আৱিষ্কাৰক।
১১. উস্তাদ ইশা।
১২. নিউজিল্যাণ্ড, ১৮৯৩ চনত।
১৩. বলিভিয়াৰ ৰাজধানী—লা-পেজ।
১৪. ভেলেন্টিনা তেৰেস্কোভা।
১৫. ৬৩ বছৰলৈ।
১৬. ওড়িষ্যাত অৱস্থিত 'কোনাৰ্ক' সূৰ্য্যমন্দিৰ
১৭. ত্যাগৰাজু, শ্যামশাস্ত্ৰী, মুথুস্বামী দীক্ষিত।
১৮. বাংলাদেশৰ নোৱাখালীৰ ওচৰত, বংগোপসাগৰত।

কৰ্তব্য

মহাৰাজ বিক্ৰমসেন চিকাৰলৈ ওলাল, গৈ গৈ অৰণ্যৰ মাজলৈ সোমাল আৰু অলপ পাছত তেওঁ অৰণ্যৰপৰা ওলাই অহা বাট হেৰুউৱাও হ'ল। তেওঁ পকৰাই পোৱা মানুহৰ দৰে ইফালে-সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে, কিন্তু অৰণ্য ভেদি ওলোৱাৰ বাট তেওঁ একোপধ্যে বিচাৰি নাপালে। আৰু—এনেতে এটা প্ৰকাণ্ড সাপে ফেঁট মেলি তেওঁক খুটিলে।

মহাৰাজ বিক্ৰমসেনে যেতিয়া চেতনা ঘূৰাই পালে, তেওঁ নিজক পুষ্পোদ্যানত শুই থকা দেখা পালে। তেওঁক অতি মৃদু কণ্ঠেৰে মুনি এগৰাকীয়ে ক'লে, "মোৰ শিষ্যাইতে যে তোমাক অচেতন অৱস্থাত দেখা পাই লৈ আহিল, বৰ ভাল হ'ল। নহ'লে—তোমাৰ আৰু লগতে ৰাজ্যৰ ৰাইজৰো বিপদ হ'লহেঁতেন। যি কি নহওক, মই যিখিনি চিকিৎসা কৰিব পাৰিলোঁ—কৰিলোঁ। বোপা, এতিয়ানো কেনে পাইছা?"

মহাৰাজ বিক্ৰমসেনে মুনিক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে, "মুনিবৰ! আপুনি এগৰাকী অসামান্য চিকিৎসক। এনেহেন অৰণ্যত কিয় এনে অসাধাৰণ প্ৰতিভাসম্পন্ন চিকিৎসাবিদ থাকিব লাগে? আপুনি অনুগ্ৰহ কৰি ৰাজধানীলৈ ব'লক, আৰু প্ৰজাবৰ্গক সুস্থ কৰি তোলক।"

মহাৰাজৰ কথা শুনি মুনিয়ে মৃদুকৈ হাঁহিবে ক'লে, "ৰাজন্! মানৱৰ দৈহিক সুস্থতা ৰক্ষা কৰা মোৰ কাৰ্য্য নহয়, আৰু এই বিষয়ত মোৰ কোনো দক্ষতাও নাই। এসময়ত প্ৰচণ্ডবৈদ্য নামৰ এগৰাকী মহান

কৈলাসপতি কলিতা

চিকিৎসকৰ ওচৰত থাকি তেওঁৰ সেৱা-শুশ্ৰূষা কৰিছিলোঁ, আৰু তেওঁৰ লগত থাকি ছেগা-চোৰোকাকৈ যি শিকিছিলোঁ, তাৰে কাচিৎ-কেতিয়াৰা কোনোবা বিপদ পৰিলে কিবাকিবি কৰোঁ—ইমানেই।"

বিস্মিত মহাৰাজে সুধিলে, "প্ৰচণ্ডবৈদ্য—ক'ৰ—কোন ৰাজ্যৰ বৈদ্য ?"

মুনিয়ে মহাৰাজক ক'লে, "হে ৰাজন্! যিকোনো ৰাজ্যৰ ৰজা এগৰাকীয়ে যদি তেওঁৰ ৰাজ্যৰ প্ৰকৃত গুণী ব্যক্তিৰ সন্ধান নাৰাখে, যদি গুণীৰ গুণৰ বাবে যথোচিত সন্মান নকৰে তেনেহ'লে সেই ৰাজ্যৰ তথা ৰজাৰো কৰ্তব্যচ্যুতি ঘটে। তোমাৰ ৰাজ্যৰ উত্তৰ প্ৰান্তত অৱস্থিত সৌভগ্য-নগৰস্থিত প্ৰচণ্ডবৈদ্যৰ নাম তুমি কিয় যে অদ্যাপি নাই শুনা—ক'ব নোৱাৰোঁ।"

ৰাজপ্ৰসাদ পায়েই মহাৰাজে তেওঁৰ মহামন্ত্ৰীক কথাটো সোধাত মহামন্ত্ৰীয়ে তৎক্ষণাৎ এই বিষয়ে খবচি মাৰি জানিবলৈ ৰাজবৈদ্য অনল ধন্বন্তৰিক মাতাই অনালে।

এই ৰাজ্যৰ আটাইতকৈ ডাঙৰ বৈদ্য কোন—মহাৰাজৰ এই প্ৰশ্নৰ উত্তৰত ৰাজবৈদ্য অনল ধন্বন্তৰিয়ে ক'লে, "মহাৰাজ! মই ৰাজবৈদ্য। গতিকে—মোতকৈ ডাঙৰ বৈদ্য এই ৰাজ্যত যে আৰু নাই—নিৰ্দ্বিধাই ক'ব পৰা যায়।"

"কিন্তু—তুমি সৌভাগ্যনগৰৰ প্ৰচণ্ড-বৈদ্যৰ নাম শুনিছানে নাই ?"

ৰাজবৈদ্যই কিঞ্চিত থতমত খোৱা যেন হৈ ক'লে, "মহাৰাজ। প্ৰচণ্ডবৈদ্যৰ নাম—মুশুনা নহয়, শুনিছোঁ তো হয়েই। পিছে—প্ৰচণ্ডবৈদ্যই যাক ধৰে, তাক লেংটি-যেচা কৰিহে এৰে বুলি শুনিছোঁ—ইমানেই প্ৰচণ্ড প্ৰচণ্ডবৈদ্যৰ ধনৰ খক।"

মহাৰাজে সন্দেহৰ সুৰত সুধিলে, "এই কথা তোমাক কোনে ক'লে ?"

"সৌভাগ্যনগৰৰে কুমাৰগুপ্ত নামৰ এজনে ক'লে মোক।" ৰাজবৈদ্যই ক'লে।

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আমি

ছদ্মবেশত ওলাই সৌভাগ্যনগৰৰ কুমাৰগুপ্তৰ ওচৰলৈ গ'লেহে হয়তো প্ৰকৃত তথ্য পাব পৰা যাব।"

ছদ্মবেশ ধাৰণ কৰি সৌভাগ্যনগৰলৈ গৈ কুমাৰগুপ্তক লগ কৰি মহামন্ত্ৰীয়ে কুমাৰগুপ্তক সুধিলে, "মহাশয়, অৰণ্যত থকা মহামুনি এগৰাকীৰ মতে আপোনালোকৰ এই ঠাইৰ প্ৰচণ্ডবৈদ্যয়েই হেনো ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ বৈদ্য। আপুনি এই ঠাইৰ অধিবাসী। গতিকে — এই বিষয়ে —অৰ্থাৎ প্ৰচণ্ডবৈদ্যৰ বিষয়ে আপোনাৰ মন্তব্য জানিব পাৰোঁনে ?"

এই প্ৰশ্নৰ উত্তৰত প্ৰচণ্ডবৈদ্যৰ বিষয়ে কুমাৰগুপ্তই কোৱা কথা অনলধন্বন্তৰিয়ে কোৱা কথাৰ অনুৰূপ।

মহামন্ত্ৰীয়ে কুমাৰগুপ্তক ক'লে, "প্ৰচণ্ডবৈদ্যৰ লগত আপোনাৰ কিবা বিবাদ-বিসম্বাদ আছেনে কি, ডাঙৰীয়া ? নহ'লে মুনিৰ আৰু আপোনাৰ কথাত—"

"বিস্তৰ পাৰ্থক্য। নহয়নে ?" হাঁহি হাঁহি কুমাৰগুপ্তই ক'লে, "হওঁতে—মোৰ লগত প্ৰচণ্ডবৈদ্যৰ সিমান ভাল নহয়। কিন্তু তথাপি—তেওঁৰ সম্পৰ্কে মই যি কথা ক'লোঁ, সেইখিনি কথা সত্য। এই বিষয়ে আপোনালোকে প্ৰচণ্ডবৈদ্যৰ বিশিষ্ট বন্ধু পৰাঙ্কুশ ডাঙৰীয়াৰ সৈতে সাক্ষাৎ কৰক, মোৰ কথাৰ সঁচা-মিছাৰ বুজ লওক।"

পৰাঙ্কুশ ডাঙৰীয়াই ছদ্মবেশী

মহাৰাজক ক'লে, "প্ৰচণ্ডবৈদ্য কেৱল চিকিৎসক হিচাপেই শ্ৰেষ্ঠ নহয়, এগৰাকী মানৱতাবাদী হিচাপেও যে সৰ্বশ্ৰেষ্ঠ—এই কথা সমূহ ৰাইজে, তথা দেশৰ বজায়ো জানক, মোৰ বহু দিনৰ বাসনা। কিন্তু—মোৰ বুজাই কোৱাৰ ক্ষমতা সিমান নাই বুলি কোনো কোনো মানুহে মোক ভুল বুজিবও পাৰে, মোৰ কথাৰ অপব্যাখ্যাও কৰিব পাৰে হয়তো। এই কথা ঠিক, প্ৰচণ্ডবৈদ্য ধনিকৰ বৈদ্য নহয়, দুখীয়াৰহে বৈদ্য। তেওঁ যাইকৈ দুখীয়াইতৰপৰা ভুলতো পইচা-পাতি নলয়। বৰঞ্চ—দৰব-পাতি, আৰু আনকি লাগিলে পথ্যাদিও নিজৰ গাঠিৰ ধন ভাঙিহে দিয়ে সিহঁতক। কিন্তু—ধনত শিতান দি থকা বেমাৰীক যদি পায় তেওঁ, তেনেহ'লে সেই বেমাৰীৰ মাটি-ভেটিও, উছন—কেতিয়াবা কেতিয়াবা নকৰা নহয় তেওঁ। প্ৰচণ্ডবৈদ্যৰ বিষয়ে মোৰ বক্তব্য আচলতে এয়ে।"

তেতিয়াহে মহাৰাজ বিক্ৰমসেনে প্ৰকৃত কথা বুজি পালে।

পুনৰ ৰাজধানীলৈ উভতি আহি, মহাৰাজ বিক্ৰমসেনে সৌভাগ্যনগৰৰপৰা প্ৰচণ্ডবৈদ্যক নিমন্ত্ৰণ কৰি লৈ আহিল আৰু পৰিপূৰ্ণ ৰাজসভাত প্ৰচণ্ডবৈদ্যক ৰাজ্যৰ 'সৰ্বশ্ৰেষ্ঠ' চিকিৎসাবিদ হিচাপে বৰণ কৰি ল'লে। সুখৰ কথা, ৰাজবৈদ্য অনলধন্বন্তৰিও আছিল প্ৰচণ্ডবৈদ্যৰ সম্বৰ্ধনা-সভাৰ অন্যতম কৰ্ণধাৰ।

তাতোকৈ সুখৰ কথা এয়ে যে—অৰণ্যৰ সেই মহামুনিকো স্বয়ং মহাৰাজে যথোচিত সন্মান সহকাৰে এই সম্বৰ্ধনা-সভালৈ লৈ আহিছিলগৈ।

মহাৰাজে ৰাজবৈদ্য অনলধন্বন্তৰিক পদচ্যুত নকৰিলে আৰু ৰাজবৈদ্যয়ো প্ৰচণ্ডবৈদ্যৰ আদৰ্শ অনুসৰণ কৰি এতিয়াৰপৰা দৰিদ্ৰসকলৰ সেৱাত তথা চিকিৎসাত নিজক নিয়োজিত কৰিলে।

কপাল

তাহানিদিনৰ কোশল দেশত বীৰদাস নামৰ এজন যুৱক আছিল। দেখাত চফলেই, কিন্তু কামতহে দশৰথৰ এগছ কুটা ছিগছ নকৰাবিধৰ।

বৈদেহী ৰাজা আছিল কোশলদেশৰ চুবুৰীয়া ৰাজ্য। অকস্মাৎ এদিন বিনামেঘে বজ্ৰাঘাত হোৱাৰ দৰে বৈদেহী-ৰাজ সিংহাসনে কোশলৰাজা অধিকাৰ কৰিবলৈ সৈন্য মোতায়েন কৰিলে।

কোশল-ৰাজ চন্দ্ৰকান্তই জানে যে-- বৈদেহীৰাজাৰ সৈন্যবল তেওঁৰ তিনিভাগৰ এভাগো নহ'ব। তথাপি তেওঁ তেওঁৰ ৰাজ্যৰ সকলো যুৱকক সৈন্যদলত নাম লগাবলৈ ৰাজাজ্ঞা ঘোষণা কৰিলে।

মহাৰাজ-চন্দ্ৰকান্তৰ এই ঘোষণাৰ ফলত ডেকাচামে দলে দলে সৈন্যদলত নাম লগালে। কিন্তু বহি খোৱা ফুকন বীৰদাস যেনেকৈ আছিল, তেনেকৈয়েই থাকি গ'ল। দেশৰ হকে যুঁজাৰ কথা বাদেই—আনকি ৰাজাজ্ঞাৰ ঘোষণাও তাৰ কাণত নোসোমাল।

কিন্তু সেই যে বোলে—হৰিয়ে এৰিলেও জৰীয়ে নেৰে—কথা হ'লগৈ তেনেকুৱা। এদিন তাক মহাৰাজ ৰঘাই চোৰাংচোৱা-হঁতৰ এজনে ক'লে, “কিহে বোপা, বৰ কাম নাই বস নাই আকাশৰ পিনে চাই চাই কিনো ভাবি আছা ইয়াত বহি বহি?”

“এ—নহয়, একো ভাবি থকা নাই। ভবাৰ শক্তিও মোৰ নাই।” বীৰদাসে কওঁ-নকওঁকৈ ক'লে।

“কিন্তু দেশভক্তিৰ প্ৰমাণ দিবলৈ তুমি সৈন্যদলত নাম লগাইছানে নাই?”

ৰণজয় ৰাজখোৱা

চোৰাংচোৰাজনৰ কথা শুনি বীৰদাসে ভেবা লাগিল। 'দেশভক্তি' কি—খায়নে কাণত পিন্ধে—বুজি নাপালে সি। এই শব্দটো সি তাৰ জীৱনত প্ৰথম বাৰৰ বাবেহে শুনিছে।

ৰজাৰ চোৰাংচোৰা মানুহজনে বুজি পালে যে এই যুৱকটি এটি মহা বুৰ্বক আৰু অকামিলা। তেওঁ বীৰদাসক ধৰি লৈ গ'ল আৰু সৈন্যদলত নাম লগাই দিলে।

বিদেহ-ৰাজ সিংহসেন যেতিয়া সসৈন্যে কোশলদেশৰ প্ৰান্তসীমালৈ আহিল, তেতিয়া কোশল-ৰাজ চন্দ্ৰকান্তও সসৈন্যে আগ বাঢ়ি গ'ল। তলোৱাৰ, ঢাল, যাঠি, জোং আদিৰ জনৎকাৰেৰে যুদ্ধক্ষেত্ৰ উত্তপ্ত হৈ উঠিল। দুয়োপক্ষৰ মাজত ঘোৰতৰ যুদ্ধ লাগি পৰিল।

সকলো নতুন সৈন্যয়েই যেতিয়া যুদ্ধলৈ ওলাব, তেতিয়া বীৰদাসে কেনেকৈনো ৰেহাই পাব? সিও যুদ্ধলৈ ওলাবই লাগিব। গতিকে—যুদ্ধলৈ ওলাব লাগিবই যেতিয়া—যুদ্ধক্ষেত্ৰত ভোক লাগে যদি—সেই কথা চিন্তি সি খনদিয়েক কটি কাঁহৰ কাঁহী এখনত ল'লে আৰু ৰুটিৰে সৈতে কাঁহীখন তাৰ বুকুত কাপোৰেৰে কোনেও নেদেখাকৈ বান্ধি লৈ তাৰ ওপৰত চোলাটো পিন্ধি ল'লে। সি আন এটা জোঙামুখৰ পাত্ৰত খোৰাপানী ল'বলৈকো নাপাহৰিলে। দেখাত প্ৰায় সকলুৱা কলহ এটিৰ নিচিনা খোৰাপানীৰ পাত্ৰটো সি ৰছীৰে বান্ধি কান্ধত ওলোমাই ল'লে।

তেতিয়া ধুমাৰ্জয় যুদ্ধ চলি আছিল, আৰু যুদ্ধভূমিৰ মাজেদি ঢাল-তৰোৱাল একো নোহোৱা বীৰদাস নিৰ্ভয়ে-নিৰ্বিবাদে তাৰ তম্বুলৈ গৈ আছিল। এনেতে—হঠাৎ কেঁকনিৰ শব্দত সি বৈ দিলে আৰু ইফালে-সিফালে ঘূৰি চাই এগৰাকী বৃদ্ধ সৈনিকক আহত অৱস্থাত মাটিত পৰি থকা দেখা পালে। বীৰদাস সেই বৃদ্ধ

আহত সৈনিকজনৰ কাষ চাপিল। বৃদ্ধ সৈনিকজনে পানী খাব বুলি ইংগিত কৰাত, বীৰদাসে তেওঁৰ মুখলৈ তাৰ সেই পাত্ৰৰপৰা পানী বাকি দিলে।

পানী খোৱাৰ অন্তত বৃদ্ধ সৈনিকজনে তেওঁৰ কঁকালত থকা চকচকীয়া ডেগাৰ এখন হাতেৰে মুঠি মাৰি ধৰিলে আৰু সেহাই সেহাই-বীৰদাসক ক'লে, "মই নোৱাৰিলোঁ, বোপা। মোৰ সময় চমু চাপি আহিছে। শত্ৰু ৰজাক ময়েই বধ কৰিম বুলি ভাবিছিলোঁ, কিন্তু নহ'ল। তুমি—তুমি পাৰিবা। মই কৈছোঁ—তুমি পাৰিবা। আৰু—যুদ্ধৰ যেতিয়া অন্ত পৰিব—মোৰ নাতিনীজনীক—ৰূপমতীক তুমি নিশ্চয় বিয়া কৰাবা। এই আঙঠিটো তোমাক মই দিলোঁ, এই আঙঠিটো তাইক দেখুৱাবা। মই এই আঙঠিৰে সৈতে যিজনক তাইৰ ওচৰলৈ পাঠাম, সেইজনকে তাই বিয়া কৰাব, আৰু লগতে—মোৰ বিপুল সা-সম্পদৰো সেইজনেই গৰাকী হ'ব।" এইখিনি কথা কোৱাৰ অন্তত বৃদ্ধ সৈনিকজন ঢুকাল।

বুঢ়া সৈন্যজনৰ মৃত্যু হোৱা দেখা পাই ভয়ৰ বীৰদাসৰ কোবত হাত-ভৰি পেটত লুকাল। কাৰ ৰাজ্য কোনে অধিকাৰ কৰে, কোন ধুবুৰীৰ কোন মৰে—এই

কথা ভাবি সি বীৰদাসে যুদ্ধৰ আৰু নামকে নোলোৱাটো খাটাং কৰিলে আৰু যুদ্ধক্ষেত্ৰ এৰি গুচি যাবলৈ খোজ ল'লে। কিন্তু ঠিক এনেতে—হঠাৎ ঘোঁৰাৰ খুৰাৰ প্ৰচণ্ড শব্দ উঠিল আৰু সি ঘূৰি চাই বিদেহৰ ৰজা সিংহসেনক যুদ্ধক্ষেত্ৰ এৰি পলাই যোৱা দেখা পালে। হঠাৎ তাৰ মাজত কিবা এক অভাৱিত শক্তিৰ তথা দেশভক্তিৰ উদয় হ'ল আৰু সি শত্ৰুৰজা সিংহসেনক বধ কৰিব বুলি ভাবিলে।

ৰজা সিংহসেনে শত্ৰুপক্ষীয় সৈন্যৰূপী বীৰদাসৰ বুকুলৈ লক্ষ্য কৰি তৰোৱালেৰে ঘপিয়ালে, কিন্তু সেই তৰোৱাল বীৰদাসৰ

বুকুত কাপোৰেৰে বন্ধি থোৰ। কটিৰ কাঁহীত লাগি ৰজা সিংহসেনৰ হাতৰপৰা উফৰি পৰিল। আৰু লগে লগে খঙতে একোনাই হৈ বীৰদাসে হাতৰ মুঠিত টানকৈ ধৰি থকা সেই চকচকীয়া ভেগাৰ-খনৰে সৈতে মৃত বুঢ়া সৈন্যজনকে দাঙি ধৰি শত্ৰু-ৰজা সিংহসেনৰ গালৈ আচম্বিতে দলিয়াই মাৰিলে।

আৰু এইদৰে সেই শত্ৰুৰজা সিংহসেন তৎক্ষণাৎ নিহত হ'ল।

শত্ৰুৰজা সিংহসেন নিহত হ'ল, আৰু ঠিক সেই মুহূৰ্ত্ততে কোশল-ৰাজ মহাৰাজ চন্দ্ৰকান্তয়ো ঘটনাটো দেখা পালে। মহাৰাজ শত্ৰু-ৰজা সিংহসেনক বধিবলৈ সিংহসেনৰ পিছ খেদি গৈ আছিল।

মহাৰাজ চন্দ্ৰকান্তই শত্ৰু-ৰজা সিংহসেনৰ হত্যাকাৰী বীৰদাসক ক'লে, "হে সৈনিক, তুমি বাহাদুৰ বীৰ সৈনিক। তোমাৰ এই বীৰতাৰ তুলনা নাই। দেশৰ শত্ৰুৰজাক বধ কৰাত তুমি মোৰ কৃতজ্ঞ অভিনন্দন গ্ৰহণ কৰা। — হে বীৰ সৈনিক! এই মহান বীৰতাৰ পুৰস্কাৰ-স্বৰূপে তোমাক কি লাগে, কোৱাঁ।

"মহাৰাজ! মই যুদ্ধক্ষেত্ৰত অতি পৰিশ্ৰান্ত বোধ কৰিছোঁ। মোক আপাততঃ পেটপুৰাই খোৱাৰ জোখাৰে অহাৰ্য্য লাগে আৰু শান্তিৰে শুবলৈ লাগে এটি কক্ষ আৰু বিছনা।"

বীৰদাসে এই কথা কোৱাত মহাৰাজ চন্দ্ৰকান্তই তাৰ বাবে তৎক্ষণাৎ সেই বন্দোবস্ত কৰি দিলে। তেওঁ বীৰ বীৰদাসক এটি সুদৃশ্য অট্টালিকা স্থায়ীভাবে প্ৰদান কৰিলে আৰু পাছত পৰিপূৰ্ণ ৰাজসভাত বীৰদাসৰ অসামান্য বীৰতাৰ শলাগ লৈ বীৰদাসক সৈন্যবাহিনীৰ সৰ্বাধ্যক্ষ নিযুক্ত কৰিলে।

আৰু তাৰ পাছত বীৰদাসৰপৰা মৃত বৃদ্ধ সৈনিকৰ নাতিনীয়েক ৰূপমতীৰ কথা জানি ধুমধামেৰে বিয়াখনো পাতি দিলে।



বীৰ হনুমান

৩৮

চৈত্ৰশুদ্ধ পঞ্চমীৰ দিনা ৰামচন্দ্ৰই অযোধ্যা এৰি বনবাসলৈ বুলি প্ৰস্থান কৰিছিল. আজি পুনৰ চৌধ্য বছৰৰ অন্তত সেই চৈত্ৰশুদ্ধ পঞ্চমীৰ দিন আহিল। পাছদিনা ৰামচন্দ্ৰই তেওঁৰ অগণিত সংগীৰে সৈতে ভৰদ্বাজাশ্ৰম পালেগৈ।

ৰামচন্দ্ৰই ভৰদ্বাজ মুনিক প্ৰণাম কৰি ক'লে, "হে মহাত্মা! অযোধ্যানগৰ সুৰক্ষিত হৈ আছেনে? ভৰতে সুখে-সন্তোষে ৰাজ্যশাসন চলাই আছেনে? আমাৰ মাতৃসকল সুখী হৈ আছেনে?"

ভৰদ্বাজ মুনিয়ে ৰামচন্দ্ৰক ক'লে, "ভৰতে সুকলমে ৰাজ্যশাসন কৰিছে. কিন্তু তাৰ সৰ্বদেহ দীঘল দীঘল চুলি আৰু জটাৰে ঢাক খাই পৰিছে। তোমাৰ পাদুকা সন্মুখত স্থাপন কৰি ভৰতে ৰাজ্যশাসন কৰি তোমালৈ প্ৰতীক্ষা কৰিছে।"

ভৰদ্বাজ মুনিয়ে ৰামচন্দ্ৰক ক'লে যে তেওঁৰ আশ্ৰমত আজিৰ দিনটো অতিবাহিত কৰি কালিলৈ প্ৰভাতবেলিকা ৰামচন্দ্ৰই অযোধ্যালৈ যাত্ৰা কৰিব।

ৰামচন্দ্ৰই প্ৰথমে হনুমানক অযোধ্যালৈ পঠাব বুলি ভাবিছিল। তেওঁ হনুমানক ক'লে, "হনুমান! তুমি প্ৰথমে শৃংগবেৰপুৰলৈ যোৱা। সেই ঠাইৰ ভীল ৰজা গুহৰাজৰ ওচৰলৈ যাবা। মই যে লংকেশ ৰাৱণক পৰাজিত কৰি অযোধ্যালৈ বুলি উভতিব ধৰিছো, গুহৰাজক সেই কথা

ভৰতক ক'বা, মই শাসনৰ ৰাঘজৰী হাতত নলওঁ. সকলো আগৰ দৰেই তাৰ হাততে থাকিব। তাকেই মই ৰজা পাতিম।—মনত ৰাখিবা, এইবোৰ কাম সুকলমে কৰাৰ অন্তত যিমান শীঘ্ৰে সম্ভৱ—তুমি পুনৰ মোৰ ওচৰলৈ উভতি আহিবা।"

ৰামচন্দ্ৰই আদেশ দিয়াৰ লগে লগেই হনুমানে মনুষ্যৰূপ ধৰি অযোধ্যালৈ বুলি আকাশলৈ উৰিলে।

প্ৰথমেই হনুমান শৃংগবেৰপুৰলৈ গ'ল আৰু তাত ৰামচন্দ্ৰৰ পৰম মিত্ৰ গুহৰাজক নিবেদন কৰিলে, "শ্ৰীৰামচন্দ্ৰই আপোনাৰ সমীপলৈ তেওঁৰ কুশল-বাৰ্তা প্ৰেৰণ কৰিছে। তেওঁ আজি সীতা আৰু লক্ষ্মণৰে সৈতে ভৰদ্বাজ মুনিৰ আশ্ৰমত আছে, কালিলৈ প্ৰাতঃকালত তাৰপৰা আপোনাৰ সন্নিধাবলৈ আহিব।"

এই বুলি গুহৰাজক কৈয়েই হনুমান পুনৰ আকাশপথলৈ উঠি গ'ল নন্দিগ্ৰামলৈ।

নন্দিগ্ৰামৰ চতুৰ্দিশত সেউজৰ সমাৰোহ। ইমান যে গছ-বিৰিখৰ সমদল। নন্দিগ্ৰামৰপৰা অযোধ্যা—ক'বলৈ গ'লে তুৰিঙৰ বাট। এই নন্দিগ্ৰামতে হৰিণাৰ ছাল পিন্ধি জটাজুটধাৰী ভৰতে আশ্ৰম পাতি ইয়াৰেপৰাই ৰাজ্যশাসন কৰিছে।

ভৰত চিন্তিত। চতুৰ্দশ বৎসৰ পূৰ্ণ

বিস্তাৰি ক'বা। তাৰ পাছত তুমি যাবা ভৰতৰ ওচৰলৈ। গুহৰাজেই তোমাক অযোধ্যালৈ যোৱাৰ পথ প্ৰদৰ্শন কৰিব। ভৰতকো সকলো বৃত্তান্ত ক'বা। কৈ থাকোঁতে মন কৰিবা—বৃত্তান্ত শুনি ভৰতৰ মুখ-ভাৰ কেনেকুৱা হয়। মই শত্ৰুক পৰাভৱ কৰি অসীম কীৰ্তিৰ অধিকাৰী হৈ অক্ষত অৱস্থাত যে উভতিছোঁ—এই কথা শুনোতে ভৰতৰ মুখ-ভাৰ কেনেকুৱা হয়—তাকো মোক ক'বাহি। পিতৃ আৰু জ্যেষ্ঠ ভাতৃৰ ৰাজ্য ভৰতে শাসন কৰি আছে, দীৰ্ঘকালৰ অন্তত এই ৰাজত্ব এৰি দিয়াটো যথেষ্ট কষ্টকৰ বোধ হ'ব পাৰে।

হ'ল, তথাপি শ্ৰীৰামচন্দ্ৰ উভতি অহা নাই—কিয় ? স্নানাদি সমাপন নকৰা বাবে ভৰতৰ দেহ ধূলি-ধূসৰিত। তেওঁ কেৱল বনজ ফল-মূল আহাৰ কৰিছে আৰু গৈৰিক বস্ত্ৰ পৰিধান কৰি আছে।

হনুমানে ভৰতক প্ৰণাম কৰিলে আৰু ক'লে, "শ্ৰীৰামচন্দ্ৰই মোক আপোনাৰ সন্নিধানলৈ প্ৰেৰণ কৰি এহি বাৰ্তা প্ৰেৰণ কৰিছে যে—তেওঁৰ আৰু অন্যান্যৰো কুশল। তেওঁ অনতিপলমে ইয়ালৈ আহি আপোনাক যি সমিচাৰ শুনাব, তাৰে আপোনাৰ চিন্তা দূৰীভূত হ'ব। শ্ৰীৰামচন্দ্ৰই লংকেশ্বৰ ৰাৱণক বধ কৰি সীতাক উদ্ধাৰি মনস্কাম পূৰ্ণ কৰিলে। তেওঁ তেওঁৰ মিত্ৰ-বন্ধুসকলৰে সৈতে অতি শীঘ্ৰে ইয়ালৈ আহিব। তেওঁৰ লগত সীতাদেৱী আৰু লক্ষ্মণো থাকিব।"

এই সম্বাদ শুনামাত্ৰেই ভৰত আনন্দ-বিহ্বল হৈ উঠিল আৰু তেওঁ সম্বাদ-বাহক হনুমানক ক'লে, "মহাশয়, আপুনি মোক যি মধুৰ আৰু পৰমপ্ৰিয় সম্বাদ দিলে তাৰ কোনো তুলনা নাই। আপুনি মনুষ্যনে দেৱতা—মই ক'ব নোৱাৰোঁ। কিন্তু মই আপোনাক এই সম্বাদ কঢ়িয়াই অনাৰ পুৰস্কাৰস্বৰূপে এক লক্ষ গাভী, এশখন গ্ৰাম, আৰু চৌধ্যজনী কন্যা



দান কৰিম।"

তাৰ পাছত হনুমানে ভৰতক শ্ৰীৰামচন্দ্ৰৰ বৃত্তান্ত একে একে ক'লে আৰু ভৰতৰ মুখ-ভাৱলৈ লক্ষ্য কৰিলে।

পৰিপূৰ্ণ বৃত্তান্ত শুনাৰ অন্তত ভৰতে অতি আনন্দৰে শত্ৰুঘ্নক আদেশ কৰিলে, "অযোধ্যালৈ গৈ অযোধ্যাৰ সকলো পুৰুষক স্নানাদি সমাপন কৰি সুসজ্জিত হৈ মন্দিৰস্থিত দেৱ-দেৱীক পূজিবলৈ কোৱাগৈ। ৰামচন্দ্ৰক দৰ্শনৰ বাবে ভাট, চাৰণ, সংগীতজ্ঞ, বাদক আদি সুপ্ৰচুৰ সংখ্যাত আহে যেন—তালৈ মন কৰিবা। আৰু—অযোধ্যাৰ বাট-পথ পুষ্পাদিৰে

যথোচিতভাৱে সুসজ্জিত কৰিবা।”

শত্ৰুঘ্নই ভৰতৰ আদেশ আখৰে আখৰে পালন কৰিলে আৰু তদুপৰি অযোধ্যাৰ বাটে-পথে সুদৃশ্য তোৰণৰাজি নিৰ্মাণ কৰালে। অযোধ্যাৰ ৰাজপথ যেনিবা স্বৰ্গৰ পথ হৈ উঠিল, আনকি সকলো সৰু-সুৰা বাট-পথো ফু মাৰি ভাত খাব পৰাকৈ পৰিস্কৃত আৰু সুসজ্জিত কৰা হ'ল।

ৰাণীসকল, ভৃগিগণ, সৈনিকহঁত, ব্ৰাহ্মণকুল, ক্ষত্ৰিয়কুল, গণ-নেতাসকল— দলে-বলে ঘৰ এৰি ওলাই আহিল। কিছুমানে হস্তীৰ পিঠিত উঠি আহিল, কিছুমান আহিল ৰথোপৰি। সৈন্যসকলে বিধোবিধ অস্ত্ৰ-শস্ত্ৰ হাতত লৈ অযোধ্যাৰ বাটে-পথে টহলি থাকিল।

শ্ৰীৰামচন্দ্ৰৰ পাতুকা মস্তকোপৰি স্থাপন কৰি ভৰত আগুৱাই গৈ থাকিল। ভৰতৰ সৈতে ব্ৰাহ্মণ, ব্যৱসায়ী, নগৰৰ নাগৰিকসকলো আহিল।

এইদৰে বহু সময় পাৰ হ'ল। কিন্তু তথাপি ৰামচন্দ্ৰৰ দেখা নাপাই ভৰতে হনুমানক ক'লে, “কথানো কি? শ্ৰীৰামচন্দ্ৰ অতি শীঘ্ৰে আহিব বুলি আপুনি কোৱা নাছিল নে? কি হ'ল?”

“ভৰদ্বাজ মুনিয়ে বানৰসকলৰ বাবে তেওঁৰ আশ্ৰমৰ পুষ্পোদ্যানত ভোজ পতিছিল। হয়তো তাৰ ফলত কিছু বিলম্ব হৈছে—।” কিন্তু পাছ মুহূৰ্ততে

হনুমানে আকাশপথলৈ চাই কৈ উঠিল, "সৌৱা! সৌ যে ৰথ—ৰথ উৰি উৰি আহিছে যে—দেখা পাইছেনে আপুনি? সৌৱা চাওক—শ্ৰীৰামচন্দ্ৰৰ সৈতে একাসনত বহি আছে সীতাদেৱী। লক্ষ্মণো বহি আছে তাত, বানৰ-ৰাজ সুগ্ৰীৱ আৰু ৰাক্ষসৰাজ বিভীষণো ৰথোপৰি আছে।" হনুমানে ভৰতক ক'লে।

আৰু লগে লগে চতুৰ্দিশত জনসাধাৰণৰ উল্লাসপূৰ্ণ চিঞৰ-বাখৰৰ শব্দ ধ্বনিত-প্ৰতিধ্বনিত হৈ থাকিল: "সৌৱা—সৌৱা, সৌৱা! শ্ৰীৰামচন্দ্ৰ আহিব ধৰিছে।"

চাওঁতে চাওঁতে শ্ৰীৰামচন্দ্ৰ আহিল। ভৰতে শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰিকে আৰু ক'লে, "হে অগ্ৰজ! আজিৰপৰা মই মুক্ত! অহো! কেনে অপূৰ্ব অনুভূতি!

শ্ৰীৰামচন্দ্ৰই ভৰতক পুষ্পক বিমানত উঠাই ল'লে আৰু আনন্দৰ আৱেগৰে আলিংগন কৰিলে। ভৰতে লক্ষ্মণক কুশল-মংগল সুধিলে আৰু সীতাদেৱীক সাষ্টাংগে প্ৰণাম কৰিলে। ভৰতে পুষ্পক বিমানস্থিত সকলো বানৰ বীৰকো আলিংগন কৰিলে আৰু তাৰ পাছত সুগ্ৰীৱক ক'লে, "আমি ভাই-ককাই চাৰিজন আছিলোঁ, এতিয়া হ'লোঁ পঞ্চ-ভ্ৰাতা।" তাৰ পাছত ভৰতে বিভীষণক ক'লে, "উপকাৰীকে মিত্ৰ বুলি জগতে কয়। তোমাৰ সহায়তা তথা উপকাৰ





জীৱনকালতো বিস্মৃত নহওঁ।"

শত্ৰুঘ্নই ৰামচন্দ্ৰ আৰু লক্ষ্মণক প্ৰণাম কৰাৰ অন্তত সীতাদেৱীৰ পদপ্ৰান্ততো যথোচিত শ্ৰদ্ধাপূৰ্বক প্ৰণাম কৰিলে।

ভৰতে শ্ৰীৰামচন্দ্ৰৰ পাদুকাদ্বয় স্বহস্তে ৰামচন্দ্ৰৰ চৰণত পিন্ধাই দিলে আৰু ক'লে, "আজিলৈকে মই যিখন ৰাজ্য শাসন কৰি আছিলোঁ, হে অগ্ৰজ, তাৰ দায়িত্ব এতিয়াৰপৰা তুমি গ্ৰহণ কৰাঁ। তুমি যে উভতি আহিলা, তাৰেই মোৰ জীৱন সাৰ্থক হ'ল। মই ধন্য মানিলোঁ। আৰু মোৰ মনোবাসনা পূৰ্ণ হ'ল।"

ৰামচন্দ্ৰই পুষ্পক ৰথেৰেই নন্দিগ্ৰামলৈ গ'ল। তেওঁৰ লগত ৰথত যিসকল আছিল, সকলোটিয়েই ৰথৰপৰা নামিলে আৰু পুষ্পক ৰথক কুবেৰৰ ওচৰলৈ উভতি যাবলৈ ক'লে।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ সময় নিৰ্ধাৰণ কৰা হ'ল। ৰাম, লক্ষ্মণ আৰু ভৰতেও মস্তক মুণ্ডন কৰোৱালে। ভৰত, লক্ষ্মণ, সুগ্ৰীৱ, বিভীষণ আৰু ৰামচন্দ্ৰয়ো মংগল-স্নান কৰিলে। স্নানাদিৰ অন্তত শ্ৰীৰামচন্দ্ৰই পুষ্পমাল্য ডিঙিত পিন্ধিলে আৰু হৰিদ্ৰাভ অৰ্থাৎ হালধীয়া বৰণৰ বস্ত্ৰ পিন্ধি সিংহাসনোপৰি উপবেশন কৰিলে। শত্ৰুঘ্নই ৰামচন্দ্ৰ, লক্ষ্মণ আৰু ভৰতৰো ডিঙিত হাৰ পিন্ধাই দিলে। দশৰথৰ পত্নীসকলে সীতাক বিধেবিধ অলংকাৰেৰে সুসজ্জিত কৰিলে।

যেতিয়া সুমন্ত্ৰ নামৰ সাৰথিয়ে ৰথৰে সৈতে তালৈ আহিল, তেতিয়া শ্ৰীৰামচন্দ্ৰ সেই ৰথোপৰি আসীন হ'ল। সুগ্ৰীৱ, হনুমান আদিয়েও স্নানান্তে নানাধৰণৰ আভূষণ পৰিধান কৰি অযোধ্যালৈ বুলি যাত্ৰা কৰিলে।

দশৰথৰ মন্ত্ৰীবৰ্গই পোন প্ৰথমে অযোধ্যা পালেগৈ আৰু তাত ৰাজ্যাভিষেকৰ বিষয়ে গুৰু বশিষ্ঠৰ সৈতে দিহা-

পৰামৰ্শ কৰিলেগৈ।

সুগ্ৰীৱৰ মিত্ৰতা, হনুমানৰ প্ৰভাৱশালী শক্তি, বানৰবাহিনীৰ পৰাক্ৰম, বিভীষণৰ সহায়তা আদিৰ কথা যেতিয়া স্বয়ং শ্ৰীৰামচন্দ্ৰই নিজ মুখেৰে অযোধ্যাৰ সমৰেত ৰাইজক ক'লে, তেতিয়া, সেইবোৰ বিস্ময়কৰ কথা শুনি তেওঁলোকৰ বিস্ময়ৰ সীমা নাথাকিল।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰ পিতৃ দশৰথৰ কক্ষলৈ গ'ল জিৰণি ল'বৰ বাবে।

সুগ্ৰীৱে চাৰিটি সুবৰ্ণ-কলসী বানৰসকলৰ হাতত দিলে আৰু ক'লে, "কালিলৈ প্ৰভাতৰ আগে আগে এই চাৰিটি সুবৰ্ণ-কলসী ভৰাই সমুদ্ৰ-জল লৈ আহিব লাগিব।"

জাম্বৱন্ত, হনুমান, ঋষভ আদিয়ে সুবৰ্ণ কলসী লৈ তৎক্ষণাৎ গুচি গ'ল আৰু ভাৰতৰ পাঁচশ নদ-নদীৰ আৰু চাৰি সমুদ্ৰৰ জল-পাছদিনা প্ৰভাত হোৱাৰ আগে আগে—উপজিপুৰাতে—শ্ৰীৰামচন্দ্ৰৰ অভিষেকৰ বাবে কঢ়িয়াই লৈ আহিল।

ৰাজ্যাভিষেকৰ শুভক্ষণত শ্ৰীৰামচন্দ্ৰই ব্ৰাহ্মণসকললৈ সবৎসা গাভী; সুবৰ্ণ আৰু নৰবস্ত্ৰ দান কৰিলে। তেওঁ সীতাৰ হাতত এধাৰ বহুমূল্য মতিৰ হাৰ দিলে আৰু ক'লে, "এই হাৰডাল — বানৰসকলৰ মাজত যাক মন যায় তাকেই তুমি দিয়া।"

সীতাদেৱীয়ে সেই বহুমূলীয়া মতিৰ হাৰডাল তৎক্ষণাৎ হনুমানৰ ডিঙিত পিন্ধাই দিলে আৰু লগতে অন্যান্য বানৰ বীৰলৈকো বিধোবিধ সুন্দৰ সুন্দৰ উপহাৰ আগ বঢ়ালে।

শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যভিষেক-অনুষ্ঠানৰ অন্তত ৰাক্ষসৰাজ বিভীষণ পুনৰ লংকা-পুৰীলৈ প্ৰত্যাৱৰ্তন কৰিলে।

এই অনুষ্ঠানৰ মাজতেই ৰামচন্দ্ৰই ভৰতক যুৱৰাজ হিচাপে অভিষিক্ত কৰিলে আৰু স্বয়ং ৰাজ্যশাসন কৰিবলৈ ধৰিলে।

একিলতে এবুধি

কোনোবা একালত চীনদেশৰ কোনোবা এখন গাঁৱত লিং টিং নামৰ এজন জমিদাৰ আছিল। জমিদাৰ বৰ ডাঙৰেই কিন্তু তেওঁৰ কলিজাহে সৰু। লিং টিং জমিদাৰৰ ওচৰত কোনো কাম-কৰা মানুহেই সৰহ দিন-কাম-কাজ নকৰিছিল, কিয়নো, কিছু দিন কাম কৰোঁতাৰ অন্তত কিবা-নহয়-কিবা বাহানাৰে লিং টিঙে কাম-কৰাহঁতক কামৰপৰা খেদিছিল।

তেতিয়াৰ দিনত কাম-কৰা মানুহ-বিলাক সংঘবদ্ধ নাছিল, গতিকে— জমিদাৰৰ এনেবোৰ লেতেৰা আচৰণৰ প্ৰতিবাদ-প্ৰতিৰোধও কোনে কৰিবলৈ, সাহস গোটাব পৰা নাছিল। কিয়নো— মন কৰিলে জমিদাৰে আৰ্থিক দণ্ডৰ সৈতে শাৰীৰিক দণ্ডও দিব পাৰে যে—সেই কথাত সন্দেহৰ কোনো থল নাছিল।

এদিন ওৱাং চু নামৰ যুৱক এজন আহিল জমিদাৰৰ ওচৰলৈ, আৰু জমিদাৰেও ওৱাং চু-ক তৎমুহূৰ্তৰেপৰাই কামত মকৰল কৰিলে; জমিদাৰ লিং টিঙে ওৱাং চু-ক ক'লে, "শুনা, কামত ধৰাৰ আগতে কাণৰ মলি গুচাই শুনি লোৱা। মই যি কাম যেনেকৈ কৰিবলৈ ক'ম—তেনেকৈ নকৰা যদি কামৰপৰা খেদি দিম আৰু পইচা-পাতিও নিদিম। কথাটো মনত ৰাখিবা আৰু কথাৰ মৰ্ম বুজিহে কামত ধৰিবা।"

"আপুনি সঠিক কথাকে কৈছে। আপোনাৰ কাম যদি আপোনাৰ মনে-খোৱা মতে নহয়—কিয় আপুনি খেদি নিদিব?" ওৱাং চু-ৰে ক'লে।

এদিন জমিদাৰে ওৱাং চু-ক ক'লে,

‘চীনদেশৰ লোক-কথা’

"শুনা চু, আমাৰ বলদটোক পাহাৰলৈ লৈ যোৱা আৰু পাহাৰত থকা বাঁহনিৰ কোমল পাতবোৰ খুৱাই আনাগৈ।"

ওৱাঙে তাৰ গৰাকীক ক'লে, "মালিক' আপুনি যি কৈছে তাকে হ'ব।"

পাছদিনা ওৱাং চু বলদটোক লৈ গ'ল পাহাৰলৈ। ওৱাঙে বলদটোক এজোপা বাঁহৰ লগত বান্ধিলে আৰু তাক লাঠী এডালেৰে কোবাবলৈ ধৰি চিঞৰি চিঞৰি কৈ থাকিল, "উঠ, পাহাৰৰ ওপৰলৈ যা, কিয় নাযাব—?"

ওৱাঙে যিমানেই কোবায়, বলদটোৱে দৌৰি পলাব খোজে। এই দৃশ্য চাই সেই বাটেৰে গৈ থকা বাটৰুৱাহঁতৰ এজনেই জমিদাৰ লিং টিঙক ক'লেগৈ।

শুনি লিং টিং জমিদাৰ তালৈ দৌৰি গ'ল আৰু গৈ ওৱাং চু-ক খঙেৰে ক'লে, "কি অ'? তই মোৰ বলধটোক মাৰিহে পেলাবিনে কি?"

"আপুনি মনে মনে থাকক। এই বলদটো যে কিমান অবাধ্য—আপুনি তাৰ কি জানিব? পাহাৰৰ ওপৰলৈ উঠি বাঁহৰ কোমল পাতবোৰ খাবলৈ কৈছোঁ তাক, সি মোৰ কথা একদম শুনা নাই। তাক মাৰি ভৈয়াম কৰিলেহে কিজানি তাৰ আকল-বুধি হ'ব।" ওৱাঙে ক'লে।

"ঠিক আছে, এতিয়া বলধটোক ঘৰলৈ লৈ যোৱা।" জমিদাৰে ক'লে।

জমিদাৰে ভাবি থাকিল, কি প্ৰকাৰে ওৱাং চু-ক কামৰপৰা খেদিব। তাক টকা-পইচা দিয়াৰ তো প্ৰশ্নয়েই নুঠে।

ভাবি ভাবি এদিন জমিদাৰে ওৱাং চু-ক ক'লে, "হেৰাহে চু, আমাৰ ঘৰৰ চাল খাপৰি ইটাৰ চাল। কেৱল চাল থাকি লাভ কি? চালৰ বিৰাট ঠাইডোখৰ এনেয়ে পৰি আছে। ইয়াত লাও-বেঙেনা-মূলা আদিৰ খেতি কৰিব নোৱাৰিনে?"

"এয়ানো কি ডাঙৰ কথা? আপুনি কোৱা মতেই কাম হ'ব, মালিক।" ওৱাং চু-ৱে লিং টিং জমিদাৰক ঢুকচুকালে।

পাছদিনা ধলপুৱাতে জমিদাৰ ডাঙৰীয়াৰ ঘৰৰ চালত প্ৰচণ্ড শব্দ উঠিল আৰু ঘৰৰ চালৰ খাপৰি ইটাবোৰ টুকুৰা-টুকুৰ হৈ ঘৰৰ মজিয়াতে, তেওঁৰ বিছনাতো পৰি থাকিল। জমিদাৰে জ াঁপ মাৰি বিছনা এৰি উঠি ঘৰৰ বাহিৰলৈ আহিল আৰু ওৱাঙক ক'লে, "বোলোঁ—তই কি কৰিছ! কিয় হাতুৰিৰে চালৰ খাপৰি ইটাবোৰ গুড়ি কৰিছ তই?"

"আপুনি মনে মনে থাকক। আপুনি এইবোৰৰ কি বুজিব? শাক-পচলি ৰুবলৈ ঘৰৰ চাল পূৰাকৈ চাফা কৰি খেতি কৰিব নালাগিব জানো?" ওৱাং চু-ৱে লিং টিঙক ক'লে।

"শীঘ্ৰে নামি আহ চালৰপৰা। ঘৰৰ চালত খেতি কৰাৰ সকালে নাই।"



বিপঙৰা জমিদাৰে খঙতে ক'লে।

এই ঘটনাৰ পাছত আন এদিন জমিদাৰে ওৱাং চু-ক ক'লে, "বোলোঁ ঐ ওৱাং, এইবেলি খৰে কোবোৱাত আমাৰ খেতি-বাতি একেবাৰে নষ্ট হ'বৰ হ'ল। শস্যবোৰ শুকাই গ'ল। গতিকে—আমাৰ খেতিখিনি ৰাতিপুৱা সাৱধানতাৰে ঘৰলৈ লৈ আহিবি, বুইছ?"

এই কাম দুনীয়াত কোনেও কৰিব„ নো ৱা ৰে। খেতি-পথাৰ কোনোবাই ঘৰলৈ লৈ আহিব পাৰনে? ই অসম্ভৱ! গতিকে—এইবাৰ ওৱাং চু-ক খেদিব পৰা যাব। ভাবিলে জমিদাৰে।

"বুইছোঁ।" ওৱাং চু-য়ে ক'লে, "এয়া কোনো টান কাম নহয়। আপুনি যেনেকৈ কৈছে, কাম তেনেকৈ কৰা হ'ব।"

পাছদিনা প্ৰচণ্ড শব্দ উঠাত জমিদাৰে অসময়ত সাৰ পালে। কথানো কি—?

ওৱাং চু-ৱে লোৰ কাঠী-কুঠাৰ আদিৰে জমিদাৰৰ ঘৰৰ ঘাই দুৱাৰ আৰু ঘৰৰ কিছুমান দেৱাল ইতিমধ্যেই ভাঙি গুড়ি কৰিলে। আন এখন দুৱাৰো জমিদাৰৰ চকুৰ আগত হুৰমুৰকৈ ভাগি পৰিল।

"হেই জানোৱাৰটো, তই এইবোৰ কি কৰিছ? তই ঘৰটো ধ্বংস কৰিছ কিয়? কথা কি?" লিং টিঙে ওৱাং চু-ক ক'লে।

"আপুনি মনে মনে থাকক!" ওৱাং চু-ৱেও চিঞৰিয়েই ক'লে, "আপুনি একো-ডালেই নাজানে-নুবুজে এইবোৰ কামৰ। —আপুনি খেতিখিনি ঘৰলৈ লৈ আহিবলৈ কোৱা নাছিলনে? কমেও—ঘৰৰ ঘাই-দুৱাৰখন যদি নাভাঙো, খেতিখিনি ঘৰলৈ আনিম কেনেকৈ ক'কচুন?"

এইবাৰহে জমিদাৰ লিং টিঙে লেটাকুন্দা দিলে আৰু ওৱাং চু-ক জোখে-জোখাৰে পইচা-পাতি দি জীৱনত পোনবাৰৰ বাবে কি গছৰ গুটি খালে কি হয়—জানি নিজৰ কাণত নিজেই ধৰিলে।

চান্দমামাৰ সম্বাদ

এভাৰেষ্টত মহিলা !

এভাৰেষ্ট পৰ্বত-শিখৰলৈ পদ-স্থাপন কৰা পৃথিৱীৰ প্ৰথমগৰাকী মহিলা—কোন ? এওঁ হ'ল জাপানৰ জুকি টাবি । এভাৰেষ্ট শিখৰ-বিজয়ী প্ৰথমগৰাকী ভাৰতীয় মহিলা কোন ? এওঁৰ নাম বাচেন্দ্ৰিপাল । এভাৰেষ্টলৈ দুই বাৰ পদক্ষেপকাৰিণী মহিলাও আমাৰেই । এওঁৰ নাম সন্তোষ যাদৱ । আন কোনো পৃথিৱীৰ মহিলায়েই দুই বাৰ এভাৰেষ্টলৈ যোৱা নাছিল । ১৯৯৩ চনৰ ১০ মে'ৰ দিনা তেওঁ এই খ্যাতি আৰ্জিলে ।

তেওঁ ১৯৯২ চনত প্ৰথমবাৰৰ বাবে এভাৰেষ্ট বিজয় কৰিছিল । দ্বিতীয় বাৰ এভাৰেষ্টলৈ যাওঁতে এওঁৰ লগত আছিল— কুংগ ভুৰীয়া আৰু ডিকি ডোল্মা নামৰ আন দু-গৰাকী যুৱতী । কেৱল মহিলা পৰ্বতাৰোহীদ্বাৰা এভাৰেষ্ট-বিজয় এয়ে প্ৰথম । এ প্তাহৰ পাছতেহ. ১৬ মে'ৰ দিনা, বাচেন্দ্ৰিপালৰ নেতৃত্বত দীপু শেৰপা, ৰাধা দেৱী. সুমন কুটিয়াল আৰু বনিতা মাটোলিয়া নামৰ আন চাৰিগৰাকী মহিলায়ো এভাৰেষ্ট-বিজয় কৰি এক বিশিষ্ট ৰেকৰ্ড স্থাপন কৰিলে । সেই একেই দিনা, অৰ্থাৎ ১৬ মে'ৰ দিনা স্প্যানিশ্ পৰ্বতাৰোহণ সন্থাৰ নেপালী শেৰপা অংৰিতাই নৱমবাৰৰ বাবে এভাৰেষ্টলৈ পদস্থাপন কৰিছিল । ১৯৮৩ চনত প্ৰথমবাৰৰ বাবে এভাৰেষ্ট-বিজয়-অংৰিতাই ১৯৮৪, ১৯৮৫, ১৯৮৭, ১৯৮৮, ১৯৯০ আৰু ১৯৯২ চনতো এভাৰেষ্টলৈ গৈছিল ।

আকাশী আহাৰ্য্য !

মস্ত মস্ত বেলুন আকাশলৈ উৰুৱাই ব্যৱসায়িক সংস্থাসমূহে বিজ্ঞাপন দিয়াৰ দৃশ্য আমাৰ অপৰিচিত নহয় । এনেবোৰ আকাশী-বিজ্ঞাপনে ক্ৰেতা-সাধাৰণক আকৰ্ষণ কৰে । পিছে—সম্প্ৰতি এক আমেৰিকীয় কম্প্যানিয়ে এক মাইললৈকে দীঘল এক অতিকায় আকাশী-বিজ্ঞাপনৰ আঁচনি লৈছে । কিছুমানে এইবিধ বিজ্ঞাপন পৰিকল্পনাৰ বিৰোধিতা কৰিছে । তথাপি, নতুন আহাৰ্য্য-ঘটিত আকাশী-বিজ্ঞাপন শীঘ্ৰেই কাৰ্যকৰী হ'ব বুলি কোৱা হৈছে ।

'স্ট্ৰাইক' সকৰা ঘড়ি !

লণ্ডন নগৰীৰ ওৱেষ্টমিনিষ্টাৰত থকা 'বিগ বেন' নামৰ ঘড়িৰ ধ্বনি জগতবিখ্যাত । প্ৰতি পোন্ধৰ মিনিটৰ বাদে বাদে এবাৰকৈ বিগবেন সুমধুৰ ধ্বনি শ্ৰুত হয় । এই ঘড়িৰ ধ্বনি-মাধুৰ্য্যৰ কাৰণেই ঘড়িটো জগতবিখ্যাত । কিন্তু সম্প্ৰতি হঠাৎ বিগবেনৰ এই সুমধুৰ ধ্বনি বন্ধ হৈ গৈছিল । এই ঘড়িৰ মেৰামতি-বিশেষজ্ঞ — এন্‌জিনিয়াৰসকলে পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত বিগবেনৰ 'গিয়াৰ চক্ৰ'টো বদলি দিলে আৰু ই পুনৰ আগৰ দৰেই বাজিবলৈ ধৰিলে ।

কিন্তু যোৱা মে' মাহৰ ১৯ তাৰিখৰ দিনা গধূলি ৭বাজি ১১ মিনিটৰপৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ ধ্বনি নিদিয়া হ'ল বিগবেনে । এন্‌জিনিয়াৰসকল চিন্তাত পৰিল আৰু আলোচনা কৰি থাকিল যে কিয় বিগবেনে স্ট্ৰাইক অৰ্থাৎ ধৰ্মঘট কৰিলে—তেতিয়াই বিগবেন পুনৰ বাজি উঠিল !

জীৱন-গাঁঠি

বহু বহু কালৰ আগৰ কথা। তেতিয়া কাশী নগৰীত ৰাজপাল নামৰ এজন যুৱক আছিল। সৰুতেই মাউৰা হৈ পৰা ৰাজপালক এগৰাকী উচ্চ পদাধিকাৰী সহৃদয় ব্যক্তিয়ে লালন-পালন কৰি উচ্চশিক্ষাৰে শিক্ষিত কৰি তুলিছিল আৰু ৰাজদৰবাৰত তাক উচ্চ পদত নিযুক্ত কৰি দিছিল।

ৰাজদৰবাৰত উচ্চপদ পায়েই ৰাজপালে বিয়া কৰাবলৈ মন মেলিলে আৰু কথাটো বন্ধু এজনক ক'লে।

বন্ধু আনন্দই ক'লে, "শুনা, আমাৰ ন্যায়াধীশৰ এজনী বিবাহযোগ্যা কিন্তু অবিবাহিতা ছোৱালী আছে। তাই সকলো ফালৰেপৰাই তোমাৰ যোগ্য। মই আজিয়েই ন্যায়াধীশক সুধিমগৈ আৰু কালিলৈ ৰাতিপুৱা মণিকৰ্ণিকাৰ ঘাটত তোমাক লগ ধৰি সকলো কথা ক'মগৈ।"

ৰাতিপুৱা মণিকৰ্ণিকাৰ বিস্তৃত ঘাটখন নিৰ্জন-নিস্তব্ধ। কেৱল দূৰত—ঢাপ এটাত বৃদ্ধ মানুহ এগৰাকী বহি আছে।

বুঢ়া মানুহজনে তেতিয়া তালপাতত কিবাকিবি লিখি থকালৈ লক্ষ্য কৰি ৰাজপাল তেওঁৰ পিছফালে থিয় হৈ থাকিল গৈ। বৃদ্ধ মানুহজনে লিখি থকা লিপি আছিল অতি বিচিত্ৰ।

"ককা, মই অনেক ভাষাৰ লিপি চিনি পাওঁ। কিন্তু আপুনি লিখি থকা লিপি মোৰ অজ্ঞাত।" ৰাজপালে ক'লে।

বৃদ্ধ মানুহজনে ক'লে, "এই লিপি—তুমি কেনেকৈনো চিনি পাবা, বোপা? এই লিপি হ'ল ব্ৰহ্মলিপি।"

ৰাজপালে সুধিলে, "আপুনি এইবোৰ

সংযুক্তা শৰ্মা

কি লিখি আছে, ককা ?”

“সূৰ্য্যোদয়ৰ পূৰ্বক্ষণত জন্ম গ্ৰহণ কৰাইতৰ জন্ম-কুণ্ডলী।” বৃদ্ধই ক'লে।

অলপ সময়ৰ পাছত বৃদ্ধ ব্যক্তিয়ে তেওঁৰ লিখাখিনি একেলগ কৰি বান্ধি একাষত থৈ দিলে আৰু তাৰ পাছত এটি সৰু মোনাৰপৰা ৰঙা ৰঙৰ ডাঠ সূতা উলিয়াই সেই সূতাৰ অ'ত ত'ত গাঁঠি দিবলৈ ধৰিলে।

“ককা, এয়ানো কি কৰিছে ?”

বৃদ্ধই মূৰ নদঙাকৈয়েই ক'লে, “এয়া হ'ল, জীৱন-গাঁঠি—ব্ৰহ্ম-বন্ধন। যাৰ ভাগ্যত যি পুৰুষ বা স্ত্ৰী আছে, সেই বন্ধন বান্ধিছোঁ।”

“তেনেহ'লে ককা — মোৰ বন্ধন কোনজনীৰ সৈতে হ'ব—ক'বনে ?”

এইবাৰ বৃদ্ধ মানুহজনে মূৰ দাঙি ৰাজপাললৈ চালে আৰু তাক ক'লে, “তোমাৰ বিবাহ নিকট ভৱিষ্যতত নহ'ব। তোমাৰ ভাবী পত্নীৰ বয়স এতিয়া মুঠেই তিনি বছৰমান হৈছে। আৰু চৌধ্য বছৰৰ অন্ততহে তাইৰ সৈতে তোমাৰ বিবাহ অনুষ্ঠিত হ'ব।”

“চৌধ্য বছৰ !” বিস্মিত ৰাজপালে ক'লে, “চৌধ্য বছৰতো মোৰ বিয়া নহ'ব ?”

“সৌৱা চোৱা।” বৃদ্ধই ক'লে, “সৌ যি তিৰোতা গৰাকীৰ কোলাত সৰুকৈ ছোৱালীজনী দেখিছা, সেইজনীয়েই হ'ব তোমাৰ পত্নী।”

ৰাজপালে দ্ৰুতগতিৰে সেই তিৰোতা-গৰাকীৰ কাষ চাপিল, তিৰোতাগৰাকীৰ এটা চকু আছিল কণা। তিৰোতাগৰাকীৰ পিন্ধনৰ কাপোৰ-কানিও আছিল অতি লেতেৰা। তিৰোতাগৰাকীয়ে সৰু ছোৱালীজনীক ঘাটৰ চাপত বহুৱাই থৈ গংগাস্নান কৰি তেতিয়াই পুনৰ ছোৱালী-জনীক কোলাত লৈ গুচি যাবলৈ ধৰিলে।

তিৰোতাগৰাকীক আৰু বিশেষকৈ তেওঁৰ সেই তিনিবছৰীয়া ছোৱালীজনীক দেখি ৰাজপালৰ মনত এবিধ বিজাতীয়

ঘৃণাৰ সঞ্চাৰ হ'ল। ৰাজপালে সেই সক ছোৱালীজনীক তেতিয়াই হত্যা কৰোৱাবলৈ মন মেলিলে আৰু বন্ধু-অহালৈ মণিকৰ্ণিকাৰ ঘাটত নহৈ ৰাজদৰাতে কাম কৰা ঘাতক এটাৰ ঘৰলৈ বুলি তৎক্ষণাৎ খোজ ল'লে।

ৰাজপালে সেই ঘাতকক ক'লেগৈ, "শুনা, এজনী পিশাচিনীক মাৰি পেলাব লাগিব। দেখাত সেই পিশাচিনী নিচেই সৰুজনী। তুমি যদি কামটো কৰি দিয়া, মই তোমাক এশ সোণৰ মুদ্ৰা দিম।"

ঘাতকে ক'লে, "মোৰ কামেই হ'ল—ঘাতকৰ কাম। গতিকে মই মোৰ কামত 'নকৰোঁ' বুলি নকওঁ। আৰু—পিশাচিনীৰ সৰু-বৰ নাই। যেনে—সাপৰ সৰু-বৰ নাই। তাই ক'ত আছে দেখুৱাই দিয়ক, এতিয়াই খতম কৰি আহিমগৈ।"

ৰাজপালে ঘাতকক লগত লৈ সেই তিৰোতাগৰাকীক আৰু সৰু ছোৱালী-জনীকো পিছফালৰপৰা দেখুৱালে।

ৰাজপালে ঘাতকক ক'লে, "তুমি তোমাৰ কাম শেষ কৰি মোক লগ ধৰিবাহি। মই যি দিম বুলি কৈছোঁ, দিম।" এই বুলি কৈয়েই ৰাজপাল তাৰপৰা গুচি গ'ল, কিয়নো শিশুহত্যা নিজ চকুৰে চোৱাৰ সাহস তাৰ নাছিল।

ছোৱালীজনী দেখাত আছিল অপূৰ্ব ধুনীয়া। ঘাতকে ভাবিলে: এইজনী—ইমান ধুনীয়াতো ধুনীয়া লৰণু-কোমল ছোৱালীজনী — পিশাচিনী? হ'বই নোৱাৰে। এইজনীক মই হত্যা নকৰোঁ।

কিন্তু যিহেতু সি ঘতকে তাৰ খাপৰপৰা ডেগাৰখন উলিয়াইছিল, সিহেতুকে সি সেই সৰু ছোৱালীজনীৰ কপালৰ ওচৰত ডেগাৰেৰে অলপ কাটি দিলে আৰু তাৰপৰা দৌৰি পলাই গ'ল।

তাৰ পাছত ঘাতকটো ৰাজপাল ওচৰলৈ গ'ল। ঘাতকে ৰাজপালক ক'লে যে সি সৰু ছোৱালীজনীক মাৰি পেলালে।

ৰাজপালে তাৰ প্ৰতিশ্ৰুতিমতে ঘাতকক এশ সোণৰ মুদ্ৰা দিলে।

সুন্দৰ নিষ্পাপ ছোৱালী এজনীক হত্যা কৰোৱাত ৰাজপাল যথেষ্ট অনুতপ্ত হ'ল, কিন্তু এই কথা ভাবি স্বস্তিও লভিলে যে—সেই পানী-কেঁচুৰাজনীক বিয়া কৰোৱাৰপৰা তথাপি সি সাৰিল। এইবাৰ সি যিমান শীঘ্ৰে সম্ভৱ অৰণ্যেই ভাল চাই ছোৱালী এজনীক বিয়া কৰাব।

এইদৰে, ভাবোঁতেই এবছৰ পাৰ হ'ল। চাওঁতে চাওঁতে আৰু কেইবা বছৰো অতিক্ৰান্ত হ'ল। কিন্তু বিভিন্ন বাধাৰ ফলত ৰাজপালৰ বিয়া নহ'ল।

আৰু এইদৰে গৈ গৈ চৌধ্য বছৰেই, কেনিবাদি কেনেকৈ যে উকলি গ'ল, ৰাজপালৰ যেনিবা খবৰেই নাই। তেতিয়া আগৰজন ন্যায়াধীশ আৰু নাই। তেওঁ ঢুকাল। তেওঁৰ স্থলত এগৰাকী নতুন ন্যায়াধীশ আহিল। ৰাজপালৰ পদমৰ্য্যাদাও বহুখিনি বাঢ়িল। এতিয়া ৰাজপাল বহু উচ্চপদত অধিষ্ঠিত।

এদিন নতুন ন্যায়াধীশে কথা-প্ৰসংগত ৰাজপালক সুধিলে যে ৰাজপালে কিয় অদ্যাপি বিয়া নকৰালে।

ন্যায়াধীশৰ প্ৰশ্নৰ উত্তৰত ৰাজপালে নতুন ন্যায়াধীশক ক'লে, "বিয়া কৰাবলৈ মই সদায় চেষ্টা কৰিছোঁ, কিন্তু কিবা-নহয়-কিবা কাৰণত সদায় অসফল হৈছোঁ।"

তেতিয়া ন্যায়াধীশে ৰাজপালক ক'লে, "আমাৰ এজনী বিবাহযোগ্য ছোৱালী আছে। দেখাতো ধুনীয়া, আৰু কাম-কাজতো পাৰ্গত। তুমি তাইক যদি বিয়া কৰোৱা, ভালেই মিলিব।"

ন্যায়াধীশৰ প্ৰস্তাৱত ৰাজপালে সন্মতি দিলে আৰু এদিন এইখন বিয়া ধুমধামৰে সৈতে হৈ গ'ল।

ৰাজপালৰ সেই নৱ-বিবাহিতা পত্নী প্ৰকৃততেই সুন্দৰী। সাজ-পাৰ গহনা-পাতিৰে একেবাৰে চালে চকু বৈ যোৱাজনী।

মাত্ৰ এটা কথাত ৰাজপালে কিঞ্চিত অবাক মানে, তাই কেতিয়াবা কেতিয়াবা আন সকলোবিধৰ গহনা সোলোকাই থয়, কিন্তু কপালৰ সোঁফালত পিন্ধা কপাল-জেঠী নামৰ গহনা এপদ কেতিয়াও নোসোলোকায়, সদায় সৰ্বক্ষণেই সেইপদ গহনা তাই পিন্ধি থকা হয়।

এদিন ৰাজপালে তেওঁৰ পত্নীক যেতিয়া এই বিষয়ে সুধিলে, তেতিয়া ৰাজপালৰ পত্নী ৰত্নাই ক'লে, মই যেতিয়া মাত্ৰ তিনি বছৰীয়া ছোৱালী, তেতিয়া কোনো কাৰণ নোহোৱাকৈয়েই দুষ্ট মানুহ এটাই মোৰ কপালৰ সোঁফাল ডেগাৰেৰে দ'কৈ কাটি দিছিল। এই কটা দাগটো চকুত পৰিলে আপোনাৰ বেয়া লাগিব বুলিহে মই সদায় কপাল-জেঠীৰে ঢাকি থওঁ।".

শুনি— ৰাজপাল স্তব্ধ হৈ পৰিল। তাৰ পাছত ৰাজপালে ক'লে, "সেই দিনা তোমাক কোলাত উঠাই লৈ যোৱা সেই কণা-চকুৰা তিৰোতাজনী তোমাৰ—"

"আপুনিনো কেনেকৈ জানিলে সেই কথা!". বিস্মিতা ৰত্নাই ক'লে, "তেওঁ আছিল মোৰ পালিকা-আইতাৰা। মই এইগৰাকী ন্যায়াধীশৰ নিজৰ ছোৱালী নহওঁ, তেওঁৰ ভতিজীহে। আপোনাৰ নিচিনাই—নিচেই সৰুতেই মোৰো মা-দেউতা স্বৰ্গী হৈছিল। তেতিয়াৰেপৰাই সেইজনী এচকুৰা আইতাই মোক লালি-পালি ডাঙৰ-দীঘল কৰিছিল।"

তেতিয়া ৰাজপালে তেওঁৰ পত্নী ৰত্নাক সকল কথা ভাঙি-পাতি কৈ দিলে, কোনো কথা লুকাই নাৰাখিলে।

সকলো কথা শুনাৰ অন্ততো ৰত্না ক্ষুণ্ণ নহ'ল, বা তাইৰ খঙো নুঠিল। তাই ৰাজপালক সেই বৃদ্ধ মানুহজনৰ বিষয়ে ক'লে, "তেনেহ'লে—সেই উপজিপুৰাতে আপুনি নিশ্চয় বৃদ্ধৰ ছদ্মবেশত স্বয়ং ব্ৰহ্মাৰ দৰ্শন লাভ কৰিছিল।"

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

সেউজী-সোণ !

নাৰিকলগছক এই নামেৰে অভিহিত কৰা হয়। নাৰিকল গছৰ সকলো বস্তুৱেই উপযোগী হোৱাত নাৰিকল গছক 'কল্পবৃক্ষ' বুলিও কোৱা হয়। নাৰিকলৰ পানী হেনো খনিজ পদাৰ্থ আৰু প্ৰচুৰ ভিটামিন-সমৃদ্ধ। নাৰিকলৰ শাহ কেঁচা বা ভাজি খাব পাৰি। শাহ শুকাই পিহি উৎকৃষ্টবিধৰ ভোজ্য তেলও উলিয়াব পাৰি। নাৰিকলৰ তেল চুলিত সনা হয়, আৰু এই তেল হেনো মস্তিষ্কৰ পক্ষে উৎকৃষ্ট। তদুপৰি, নাৰিকলৰ তেলেৰে দৰব-পাতি তৈয়াৰ কৰা, অলংকাৰ-শিল্পত ব্যৱহাৰ কৰা আদি কামও হয়। নাৰিকল-চূৰ্ণ অতি উৎকৃষ্ট পশু খাদ্য। নাৰিকলৰ ওপৰৰ খোলাৰে নানাবিধৰ ৰং-বিৰঙী পুতলা বনোৱা হয় আৰু বিভিন্ন ধৰণৰ বস্তুও



বনোৱা হয়। নাৰিকলগছৰ পাতেৰে বিধোবিধ ঢাৰি, নাৰিকলৰ খোলাৰ ভিতৰত থকা টান আঁহেৰে অতি মজবুত ৰছী ইত্যাদি তৈয়াৰ কৰা হয়। নাৰিকলৰ পাতৰ লগত থকা মিহি ঠাৰিবোৰেৰে বাঢ়নী তৈয়াৰ কৰা হয় আৰু নাৰিকলৰ পাতেৰে ঘৰৰ চাল ঢাকি থোৱাৰ, আলত জুই দিয়া আদিৰ কামো কৰা হয়। নাৰিকলগছ সাধাৰণতঃ ২৫ মিটাৰ ওখ হয়। নাৰিকল-পুলি ৰোৱাৰ তিনি-চাৰি বছৰৰ অন্তত ফল দিয়ে। এজোপা ভাল নাৰিকল গছৰপৰা বছৰেকত ৩০০ নাৰিকল পাব পাৰি। গছৰপৰা প্ৰতি দুমাহৰ বাদে বাদে এবাৰকৈ নাৰিকল বুটলিব পাৰি।

গৰ্ভধাৰী পুৰুষ !

সাগৰৰ পানী তৰাং, তাত পানী-ঘোঁৰা থাকে। এই পানী-ঘোঁৰা হ'ল এক বিচিত্ৰ প্ৰাণী। পানী-ঘোঁৰাই পোন ভাবে সাঁতোৰে, মাছৰ দৰে একা-বেঁকাকৈ নহয়। এই সমুদ্ৰী প্ৰাণীৰ মুখখন দেখাত ঘোঁৰাৰ নিচিনা। চকু এই প্ৰাণীবো দুটা, কিন্তু দুটা চকুৰেই একেলগে চাৰিও দিশ দেখা পায়। পুৰুষ পানী-পেটৰ তলৰ ফালে সৰু মোনা এটা আছে। মাইকী পানী-ঘোঁৰাই পুৰুষ পানী-ঘোঁৰাৰ কাষলৈ আহি এবাৰতে দুশ কণী পুৰুষ পানী-



ঘোঁৰাৰ পেটৰ তলৰ ফালে থকা মোনাটোত ভৰাই থৈ যায় আৰু পুৰুষ পাণী-ঘোঁৰাটোৱে এই কণীবোৰ পাঁচ সপ্তাহলৈকে ৰক্ষা কৰে। যেতিয়া এই কণীবোৰৰপৰা পোৱালি ওলাবলগীয়া হয়, তেতিয়া পেটৰ তলৰ ফালে থকা মোনাটোৰ মুখৰ ফালে খোল খাই যায় আৰু পোৱালিবোৰে জাক বান্ধি ওলাই আহে !


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ নভেমবাৰ সংখ্যাত প্ৰকাশিত হ'ব ।

D.N. Prasad

Devidas Kasbekar

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ ছেপটেম্বৰৰ মাহৰ ২০তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : শংকা কৰা পৰিহাৰ দ্বিতীয় ফটো : সাহসেই মণিহাৰ

পুৰস্কাৰ প্ৰাপক : সীমান্ত দাস, ওৱাৰ্ড-৪, গৌৰীপুৰ ৭৮৩ ৩৩১, অসম।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.


YOU'LL
DROP
EVERYTHING FOR BAKEMAN'S
MILK DROPS
Bakeman's
Bakeman's MILK DROPS VANILLA
Bakeman's MILK DROPS CHOCOLATE
Bakeman's MILK DROPS COCONUT

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
India's largest selling sweets
Visesh/NC/9090/Ass